



গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ৩ অক্টোবৰ ২০২৫/১৬ আহিন ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ২৪ ● Vol - 14, Issue - 24


# হামৰেণত ১০০ খন বিচনাযুক্ত জিলা চিকিৎসালয়ৰ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই

## হামৰেণত জিএনএম নাৰ্ছিং স্কুল মুকলি কৰা হ'ব ঃ মুখ্যমন্ত্ৰী









**দিছপুৰ ঃ** পশ্চিম কাৰ্বি আংলং জিলাত স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি শক্তিশালীকৰণৰ দিশত এক ৰূপান্তৰকাৰী পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই হামৰেণত ১০০ খন বিচনাযুক্ত জিলা চিকিৎসালয়ৰ শুভ উদ্বোধন কৰে। উল্লেখ্য যে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত প্ৰায় ৩০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই চিকিৎসালয়খনৰ মূল ভৱনটো তিনিমহলীয়া। ৬২ বিঘা ভূমিৰে আগুৰা চৌহদত ৮১,০৫৫ বৰ্গফুট এলেকাত ভৱনটো নিৰ্মাণ কৰা হৈছে। এই চিকিৎসালয়ত জৰুৰীকালীন বিভাগ, সাধাৰণ মেডিচিন, শল্য চিকিৎসা, প্ৰসূতি আৰু স্ত্ৰীৰোগ, শিশুৰোগ, ৰেডিঅ'লজি, ইএনটি, চৰ্ম ৰোগ, দন্ত চিকিৎসা, চকুৰ ৰোগ, মনোৰোগ আৰু ফিজিঅ'থেৰাপি আদি বিভাগ আছে। চিকিৎসালয়খনত অস্ত্ৰোপচাৰ কক্ষ, পৰীক্ষাগাৰ, ফাৰ্মাচী, ইচিজি, এক্স-ৰে', আইচিইউ, ব্লাড বেংক, পুৰুষ আৰু মহিলাৰ বাবে সাধাৰণ ৱাৰ্ড, ছটা প্ৰাইভেট ৱাৰ্ড, দুটা সভাকক্ষ আদিও নিৰ্মাণ কৰা হৈছে। চিকিৎসালয় ভৱনৰ লগতে চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ বাবে আৱাসিক ভৱনো নিৰ্মাণ কৰা হৈছে। এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে তেওঁ তদানীন্তন স্বাস্থ্যমন্ত্ৰী হিচাপে এই চিকিৎসালয়খনৰ আধাৰশিলা স্থাপন কৰিছিল আৰু মুখ্যমন্ত্ৰী হিচাপে এই জিলা চিকিৎসালয়খনৰ শুভ উদ্বোধন কৰিলে। শাৰদীয় দুৰ্গোৎসৱৰ মহাষষ্ঠিৰ পৱিত্ৰ দিনটোত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ দ্বাৰা নিৰ্মাণ কৰা এই চিকিৎসালয়খন ৰাইজৰ বাবে উৎসৰ্গা কৰিবলৈ পাই তেওঁ গৌৰৱান্বিত হৈছে বুলিও মন্তব্য কৰে। এই চিকিৎসালয়খনৰ নিৰ্মাণৰ উপৰি স্থানীয় যুৱতীসকলৰ নাৰ্ছিং শিক্ষা গ্ৰহণৰ সুবিধাৰ্থে হামৰেণত এখন ১০ পৃষ্ঠাত

# জুবিন গাৰ্গৰ মানৱতাবাদ আৰু প্ৰগতিশীল চিন্তা-চেতনা



■ পৰেশ বৈশ্য

**জু**বিন গাৰ্গ (১৯৭২-২০২৫) আছিল কুৰি শতিকাৰ শেষৰ আৰু একৈশ শতিকাৰ আৰম্ভণিৰ শ্ৰেষ্ঠ আৰু প্ৰভাৱশালী অসমীয়া। গীতিকাৰ, সুৰকাৰ, চলচ্চিত্ৰ নিৰ্মাতা আৰু সমাজহিতৈষী জুবিন গাৰ্গ আছিল নতুন প্ৰজন্মৰ প্ৰাণৰ স্পন্দন। মাত্ৰ ৫২ বছৰতেই জীৱন নাটৰ সামৰণি পেলোৱা জুবিনৰ জীৱনৰ দৈৰ্ঘ্য বয়সেৰে নহয়, কামেৰেহে জুখিব লাগিব। চুটি জীৱনত ৪০ টা ভাষাত প্ৰায় চল্লিশ হাজাৰ গীতত কণ্ঠদান কৰা গীতিকাৰ অসমত অদ্বিতীয়। আনকি দেশ বা বিদেশতো যেনেই তাকৰ হ'ব।

জুবিন গাৰ্গ আছিল প্ৰকৃত মানৱতাবাদী। জীৱনটো কেৱল মানুহৰ কাৰণেই উছৰ্গা কৰা অসমীয়া। তেওঁৰ বহুতো গীত আৰু কথাত ১০ পৃষ্ঠাত

# অসমীয়া সমাজলৈ শংকৰদেৱৰ অৱদান

■ যমুনা দুলু বৈশ্য, শুৱালকুছি

**ম**হাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম হয় ১৪৪৯ খ্ৰীষ্টাব্দত নগাঁও জিলাৰ বৰদোৱা অঞ্চলৰ আলিপুখুৰী নামৰ ঠাইত। সমাজ সংস্কাৰক গুৰুজনাৰ অৱদান অসমীয়া সমাজ ব্যৱস্থাত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ অপৰিসীম। অসমীয়া সমাজখনত সংঘটিত হোৱা বিভিন্ন কাৰ্য-কলাপ আৰু অত্যাচাৰ, ব্যভিচাৰসমূহৰ পৰা ৰক্ষা কৰি এক শক্তিশালী ৰূপত সাংগাঠনিক ভেটি মজবুত কৰিছিল। গুৰুজনাই সকলো শ্ৰেণীৰ জাতিৰ মাজতে উচ্চ-নীচ, ভেদা-ভেদ পৰিহাৰ কৰি সমাজখনক একত্ৰিত কৰিছিল। মহাপুৰুষজনাৰ উপাসনা পদ্ধতিয়ে মনুষ্য জাতিক সংস্কাৰ হ'বলৈ ১০ পৃষ্ঠাত


শাৰদীয় দুৰ্গা পূজাৰ শুভেচ্ছাৰে...

হনুমান ধাবা ৰিজৰ্ট এণ্ড লজ

HANUMAN DHABA RESORT & LODGE

FAST FRESH HYGIENE

ROOMS AVAILABLE

Licence No : Mi-31/546/2023-MAG NGN Sarais Act. 1867

Contact No : 9854208721 / 9957261055

শাৰদীয় দুৰ্গা পূজাৰ শুভেচ্ছাৰে...

ATHENIAN Professional

এথেনিয়ান (প্ৰফেচনেল)

| Service | Price | Offer |
| --- | --- | --- |
| Global Hair Colour | Rs. ~~5000~~ | Rs. 2499 |
| Botox/Ketatin | Rs. ~~7000~~ | Rs. 3499 |
| Highlights | Rs. ~~400~~ | Rs. 199 |
| Hair Spa+Haircut | Rs. ~~2500~~ | Rs. 1299 |
| Root Touch Up | Rs. ~~2500~~ | Rs. 999 |
| Nail Art | Rs. ~~2500~~ | Rs. 990 |

Srimanta Sankardev Road, Haibargaon, Nagaon (Assam) Pin- 782002

Contact No : 93879 69382

# প্ৰবন্ধ বকুল ফুলৰ দৰে উপন্যাসখনৰ অন্তৰ্নিহিত অনুভৱ শিক্ষকৰ চৰিত্ৰ টি আধাৰিত

## বকুল ফুলৰ দৰে উপন্যাসখনৰ অন্তৰ্নিহিত অনুভৱ মাষ্টৰ সত্তাটি আমাৰ ইয়াতো আছে

■ পদ্ম মৰাণ
তিনিচুকীয়া কাকপথাৰ

শিক্ষা হৈছে আমাৰ বাস্তৱ জীৱনৰ মূল চাবিকাঠি। বৰ্তমান জীৱনৰ বহুখিনি জ্ঞান পাঠ্যপুথিৰ পৰা আহৰণ কৰিবলগীয়া হয়, যদিও বহুখিনি জ্ঞান মানৱ সমাজৰ পৰা আহৰণ কৰিব লগা হয়। অসমীয়া সাহিত্য জগতখন হ'ল এক জাতীয় জাগৰণৰ অমৰ সৃষ্টি। শিক্ষা ক্ষেত্ৰখনলৈ মন কৰিলে পূৰ্বতে কেইজনমান বিশিষ্ট ব্যক্তিয়ে সাহিত্য চৰ্চা কৰিছিল যদিও বৰ্তমান অসমীয়া বহু সাহিত্যিকে বিভিন্নধৰণৰ গ্ৰন্থ আগবঢ়াইছে। সেই সমূহৰ ভিতৰত মোৰ এখন অতি প্ৰিয় কিতাপ হ'ল মৃণাল কলিতা দেৱৰ বকুল ফুলৰ দৰে। বিভিন্ন ধৰণৰ সাহিত্য কিতাপ সমূহ পঢ়াৰ হাবিয়াস এটা কম বয়সতে জন্মিছিল। মই অধ্যয়ন কৰা সাহিত্য জগতৰ প্ৰথমখন কিতাপেই আছিল বকুল ফুলৰ দৰে। কিতাপখন পঢ়ি সঁচাকৈ কিবা এটা অনুভৱ হৈ গৈছিল। বাস্তৱ জীৱনত থাকিব পাৰে নে মৰম, আদৰ, অনুভৱ এইবোৰক প্ৰাধান্য দিয়া শিক্ষক। পঢ়ি থকা সময়ত কিতাপখনৰ প্ৰত্যেকটো বাক্যই মোৰ চকুপানী নিয়ৰ হৈ সৰিছিল। অনুভৱ sirৰ অসীমৰ প্ৰতি থকা বিশ্বাস, মৰম আদৰবোৰেই মোৰ মন মুগ্ধ কৰি পেলাইছিল। সাৱলীল আৰু অনুপ্ৰেৰণাবোধৰ গুণৰ মানুহ বাস্তৱ জীৱনত থাকে নে? মোৰ বাবে কিছু প্ৰশ্নবোধক হৈ পৰিল। সেই সময়ত অনুভৱবোৰ সামৰি ৰাখিছিলো মনত। কেতিয়াবা মইও যদি জীৱনত তেনেকুৱা অনুভৱ sir দৰে অন্তৰ জিকাব পৰা শিক্ষক লগ পাওঁ নিশ্চয় কিতাপখনৰ দস্তাবেগবোৰ উনুকিয়াবলৈ চেষ্টা কৰিম।

আমি পৰিকল্পনা কৰা বিপৰীতে কিছুমান বস্তু কেতিয়াবা আমাৰ হাতত আহি পৰে, সেয়েহে মানৱ জীৱনটো কল্পনা অপৰিসীম এক সত্তা। যাত্ৰিকতা এই মায়াভৰা কঠোৰ সংগ্ৰামৰ পৃথিৱীখন কোনো কাৰো আপোন নহয় বুলি জীৱনৰ সৰু সৰু অভিজ্ঞতাই সকলোকে কিছু কিছু ক্ষেত্ৰত সবল কৰি থৈছে। সকলোৱে নিজৰ নিজৰ পৃথিৱী আখৰা কৰাত ব্যস্ত। মৰম, স্নেহ, সহানুভূতি, আদৰ, স্বভিমান, অনুভূতি এইবোৰ স্বীকৃতি দিয়াত যেন সকলো মানুহেই ব্যৰ্থ। সকলোৱে এইবোৰ ভবাৰ দৰে মইও এই ক্ষেত্ৰত ব্যতিক্ৰম নাছিলো। মইও বাস্তৱ সমাজত বকুল ফুলৰ দৰে উপন্যাসখনত উল্লেখ থকা মহেন্দ্ৰ মাষ্টৰ চৰিত্ৰৰ দৰে শিক্ষক আছে বুলি মনত ধাৰণা কৰি লৈছিলো, এই ক্ষেত্ৰত মই কোনো শিক্ষক বেয়া বুলি প্ৰতিপন্ন কৰিবলৈ যোৱা নাই মইও জীৱনত বহুত ভাল শিক্ষক লগ পাইছোঁ, কিন্তু বৰ্তমান ছাত্ৰ-ছাত্ৰী সমাজখনে এটা ভুল ধাৰণা মনত পোষণ কৰি লৈছে যে মহেন্দ্ৰ মাষ্টৰ দৰে দয়াহীন সময় সাপেক্ষে কঠোৰ হৈ পৰাই শিক্ষকৰ আচল চৰিত্ৰ বুলি বিশ্বাস কৰে আৰু বাস্তৱ জীৱনত শিক্ষকসকল তেনেকুৱা প্ৰকৃতিৰ হয় বুলি বহু ছাত্ৰ-ছাত্ৰীয়ে মনত ধাৰণা কৰি লয়। মইও প্ৰথমে কিতাপখন পঢ়ি পেলাই ভাবিছিলো বাস্তৱ জীৱনত সঁচাকৈ অনুভৱ sir দৰে শিক্ষক আছে নে বুলি, মইও কেতিয়াবা যে বাস্তৱ জীৱনত এনে শিক্ষক লগ পাম মোৰ বাবে কল্পনা অপৰিসীম আছিল। কিতাপখনৰ কাল্পনিক চৰিত্ৰ এটা বাস্তৱ জীৱনত এজন শিক্ষক হিচাপে লগ পাম বুলি সঁচাকৈ ভবা নাছিলোঁ। হয় মই ক'ব বিচাৰিছোঁ অনুভৱ মাষ্টৰ দৰে একে সত্তাকে একে সঞ্জীৱনীকে জীয়াই ৰখা আমাৰ তিনিচুকীয়া জিলাৰ অন্তৰ্গত Doom Dooma ৰ ৰূপাই অঞ্চলত অৱস্থিত বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয় সহকাৰী শিক্ষকৰূপে কৰ্মৰত অক্ষই জ্যোতি মহন্ত কথা। শিক্ষক হ'বলৈ বহু গুণৰ অধিকাৰী হ'ব লাগিব, কেৱল নিজকে শিক্ষক পদত অধিষ্ঠিত কৰিলেই যে সঁচা অৰ্থত এজন শিক্ষক হৈ পৰে সেই কথা মোৰ দৃষ্টিৰে নকয়। Sir লগ পোৱাৰ আগলৈকে মইও মনত এক ভুল ধাৰণাকে প্ৰাধান্য দি আছিলো। ভাবিছিলো হয়টো বাস্তৱ জীৱনত কোনো এনেকুৱা শিক্ষক থাকিব নোৱাৰে যিয়ে কাৰোবাৰ মন জয় কৰিবলৈ সক্ষম হয়। সঁচাকৈ অক্ষই sir এজন বহু গুণৰ লগতে গাম্ভিজ্য পূৰ্ণ ব্যক্তি। এজন ছাত্ৰৰ আৱেগ অনুভূতি প্ৰশ্ৰয় দিয়া এজন অংকুৰিত ব্যক্তি আপুনি। উপন্যাসখনত অন্তৰ্নিহিত অনুভৱ sir যি সাৱলীল চৰিত্ৰ আছে সেই সকলোবোৰ গুণেই যেন তেওঁৰ তাত বিৰাজমান। ভবা নাছিলোঁ কেতিয়াও যে আপোনাৰ দৰে ব্যক্তি জীৱনত লগ পাম। মানুহৰ আৱেগ অনুভূতি এইবোৰ প্ৰাধান্য প্ৰদান কৰা এজন সফল ব্যক্তি আপুনি, মানুহবোৰে সমাজখনত বৰ্তমান ইমানেই যান্ত্ৰিকতা সোমাই পৰিছে যে মানৱতাবোধ হেৰাই গৈছে, নিজৰ বাহিৰে বেলেগক প্ৰাধান্য দিয়া কথাটো যেন আওকাণ কৰে, কিন্তু আপুনি সঁচাকৈ পৃথক সেইসকল শিক্ষকৰ তুলনাত। আপোনাৰ গাত যেন এজন সফল শিক্ষকৰ সকলো গুণেই বিৰাজমান, বিভিন্ন সমস্যাসমূহ পৰিচালনা আৰু ৰূপায়ণ কৰাত যে কেৱল এজন ছাত্ৰই দৃষ্টি নিক্ষেপ কৰিব লাগিব এনে নহয় এই ভ্ৰান্ত ধাৰণাৰ কথা যেন পুনৰ বাৰ আপোনাৰ পৰাই বুজি উঠিলো। মানুহজনৰ ব্যক্তিত্বটো সঁচাকৈ আপোন মোৰ কেইবাটাও জনমৰ আপোনাৰ ব্যক্তিত্বই মোৰ বাবে সঁচাকৈ আকৰ্ষণৰ কেন্দ্ৰবিন্দু, সজ সৰল অমায়িক ব্যক্তিত্বই যেন এক এৰাব নোৱাৰা এনাজৰীৰে বান্ধি পেলালে, কিছুমান ব্যক্তি আছে যিয়ে কেৱল নিজৰ ব্যক্তিগত জীৱনত বেছি গুৰুত্ব প্ৰদান কৰে এজন শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তা ওপৰত দৃষ্টি নাৰাখে। কিন্তু আপুনি সেইবোৰৰ তুলনাত বহুত ওপৰত এজন ছাত্ৰক সদায় আগুৱাই নিয়াত কেনেদৰে, কি পন্থা অৱলম্বন কৰিব লাগে সেই দিশত আপুনি সদায় আগৰণুৱা। থাকে এজন ছাত্ৰৰো থাকে কিছুমান সমস্যা কিছুমান বিশেষ দিশত দুৰ্বলতা কিন্তু সেইবোৰ যে আপুনি পদ পদক্ষক হিচাপে আঙুলিয়াই দিয়ে সেইয়াই আমাৰ বাবে বিশেষ, সেয়েহে কওঁ শিক্ষকৰ লগতে এজন ভাল মানুহ হিচাপে এজন বিশেষ ব্যক্তি আপুনি। মানুহ হিচাপে জন্ম লৈ খুব কম দিনৰ বাবে এই পৃথিৱীত থাকে সেই দিন কেইটা যে মানুহে মানুহক প্ৰাধান্য দিব লাগে, এই অনুভৱটো sir ক দেখা পালে পুনৰবাৰ মনত ইচ্ছাকৃতভাৱে উদয় হয়। এজন শিক্ষক হিচাপে সঁচাকৈ মহান আপুনি, আপোনাৰ ব্যক্তিত্বই সুকীয়া, ছাত্ৰ-ছাত্ৰী মাজৰ থকা সমস্যা বিলাকৰ সমাধান আপুনি সেয়েহে কওঁ আপুনি সঁচাকৈ মোৰ বাবে এজন মহান ব্যক্তি। উপন্যাসখনত অনুভৱ মাষ্টৰে যেনেকৈ নিৰ্মল আৰু অসীমৰ বাবে এজন আদৰ্শ ব্যক্তি ঠিক তেনেকৈ মোৰ বাবে এজন আপুনি আদৰ্শ প্ৰেৰণামূলক ব্যক্তি। ব্যক্তিগতভাৱেও যদি চাওঁ আপুনি সঁচাকৈ এজন ভাল ব্যক্তি, মানৱতাবোধ, স্পষ্টবাদী সৰল মনৰ এজন ব্যক্তি আপুনি সেয়েহে কওঁ আপুনি আপোনাৰ ব্যক্তিত্ব সদায় নিজৰ লগতে ৰাখক ...।

আপোনাৰ কথা হয়টো ইয়াত এনেদৰে বিশ্লেষণ কৰি হয়টো শেষ নহ'ব, আপোনাক ওচৰৰ পৰা লগ পালে হয়টো ভালদৰে বুজি উঠিব যে আপুনি সঁচাকৈ অনুভৱ মাষ্টৰ সত্তা টো জীয়াই ৰাখিছে। অনুভৱ মাষ্টৰে যেনেকৈ ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰিব পাৰিছিল, শ্ৰেণীত প্ৰত্যেকবাৰে ফেইল কৰা সিদ্ধাৰ্থ যেনেকৈ উৎসাহিত কৰি কৈছিল ঃ শ্ৰেণীটোত তুমিয়ে আছা একমাত্ৰ সিদ্ধাৰ্থ, যিয়ে ইমান ধুনীয়াকৈ বাঁহী বজাব পাৰে।

উক্ত বাক্য শাৰীয়ে মোৰ সঁচাকৈ হৃদয়খন জোঁকাৰি পেলাইছিল। কিমান হৃদয়স্পৰ্শী হ'লে এজন শিক্ষকে পঢ়াত দুৰ্বল এজন ছাত্ৰকো অনুপ্ৰেৰণা দিব পাৰে। এই গুণবোৰৰ ক্ষেত্ৰত আপুনি কোনো গুণেই ব্যতিক্ৰম নহয় অক্ষই জ্যোতি মহন্ত sir। ঠিক সেই অনুভৱ sir দৰে আপুনিও এজন হৃদয়স্পৰ্শী শিক্ষক। এজন শিক্ষক প্ৰকৃতাৰ্থক কেনকুৱা কোৱা উচিত আপোনাৰ পৰাই বহু জনে উপলব্ধি কৰিব পাৰিব। আপোনাক ওচৰৰ পৰা লগ পালে সকলোৱে উপলব্ধি কৰিব পাৰিব, বুজিব পাৰিব যে আপুনি সঁচাকৈ এজন উপন্যাস জগতৰ এজন অনুভৱ মাষ্টৰ।

বহুতে জীৱনত এনেকুৱা অনুপ্ৰেৰণা, অনুকৰণমূলক শিক্ষক জীৱনত বিচাৰি ফুৰে হয়টো কিছু কিছু লোকে এতিয়াও আদৰ্শ হিচাপে বিভিন্নজন লোকক সন্মান, আদৰ কৰে। উপন্যাসখন পঢ়ি যে বাস্তৱ জীৱনৰ এগৰাকী অনুভৱ sir লগ পালো তাৰ বাবে নিজকে গৌৰৱান্বিত অনুভৱ কৰোঁ। সেয়েহে মনৰ পৰা এটা কথা কওঁ যে বকুল ফুলৰ দৰে উপন্যাসখনৰ উপস্থাপন কৰা অনুভৱ মাষ্টৰ সত্তা টি আমাৰ ইয়াতো আছে। আপুনি সদায় অনুভৱ sir সত্তা টি জীয়াই ৰাখক, আমাৰ বাবে সদায় আপুনি এজন অনুভৱৰ ব্যক্তি হৈ ৰওক আৰু ভালে থাকক আপুনি।

**ম'বাইল ঃ** ৬০০১০-১৮৮৩৮

# মানৱ ধৰ্ম আৰু জীৱনৰ সত্য

■ আচিক আহমেদ
নলবাৰী

আমি জীৱনত সদায় মানুহ হ'ব লাগে য'ত জাতি,বৰ্ণ, ধৰ্মৰ কোনো ভেদাভেদ নকৰি সকলোকে আপোন বুলি ভাবি এক হৈ থাকিব লাগে, জীৱনত সদায় আনৰ পৰা লোৱাতকৈ বেছি দিবলৈ চেষ্টা কৰা উচিত। জীৱন এক মায়া-মোহ, মৃত্যুৰ পাছত সকলো শূন্য সেইবাবেই- জীৱনত লোভ-মোহ এৰি আনৰ বাবে জীয়াই থাকিলে পৃথিৱীখন বৰ সুন্দৰ হৈ পৰিব। সাধাৰণভাৱে জীয়াই থাকিলেও জীৱনটো বৰ সুন্দৰকৈ উপভোগ কৰিব পাৰি, য'ত লাখটকীয়া বিলাসিতাৰ প্ৰয়োজন নাই। সঁচা অৰ্থত ক'বলৈ গ'লে- কোনো কামৰ সৰু বৰ নাথাকে কিয়নো প্ৰত্যেকেই নিজৰ নিজৰ স্থানত শ্ৰেষ্ঠ কেৱল আমি মাথোঁ তাক মৰ্যাদা দিব জানিব লাগে। আপুনি মানুহৰ মন বুজি সঁচা ভাল পাব জানিলে ফুটপাথ নাইবা সাধাৰণ মানুহৰ সৈতে সময় অতিবাহিত কৰিও মনত বহু শান্তি পাব পাৰে, কিয়নো তেওঁলোকৰ অন্তৰবোৰ চাফা হয়, তাৰ বিপৰীতে অধিকাংশ ধনী বা ডাঙৰ মানুহৰ আনৰ প্ৰতি আদৰ নাথাকে থাকে কেৱল মাথোঁ স্বাৰ্থ। মানুহে মানুহৰ মাজতেই ঈশ্বৰক বিচাৰি পাব পাৰে, য'ত মানৱ ধৰ্মই পৃথিৱীৰ ভিতৰতেই শ্ৰেষ্ঠ ধৰ্ম, আপুনি মানুহ হ'বলৈ হ'লে- মন্দিৰ, মছজিদত লাখ টকা দান কৰাৰ প্ৰয়োজন নাই তাৰ পৰিৱৰ্তে নিজক লগা ধনখিনিৰ বাহিৰে মানৱতাৰ সহায়ৰ নামত দিবলৈ কুণ্ঠাবোধ নকৰি আনৰ হিত সাধনৰ চিন্তা কৰাটোৱেই প্ৰকৃত মানৱ, মানুহৰ মুখত হাঁহি বিৰিঙাব পাৰিলে ঈশ্বৰো সন্তুষ্ট হয়। আচলতে আনৰ দুখত দুখী হোৱা জনেই প্ৰকৃত হৃদয়বানসকলৰ আৰু ধনী ব্যক্তি। সেইবাবেই আমি সদায় মনৰ ধনী হ'ব লাগে আৰু অন্তৰত আনৰ প্ৰতি হিংসা ভাব নাৰাখি শুদ্ধ ভাৱেৰে মানৱতাৰ বাবে হিয়া উজাৰি দিব পাৰিলে -পৰলোকতো নিশ্চয় ভাল হ'ব। প্ৰকৃততে মানুহে জীয়াই থকা দিনবোৰত জীৱনৰ খ্যাতি, পৰিক্ৰমাৰ অন্ততঃ কি সেয়া বুজিবলৈ যত্ন নকৰি মানুহে নিজৰ চাহিদা কমি যাব বুলি আনৰ ওচৰত সহজে উপলব্ধ আৰু সুলভ হ'বলৈ নিবিচাৰি নিজৰ শিক্ষা, ধন আৰু পদবীক লৈ মনতে আত্ম অহং ভাৱেৰে পৰিতৃপ্তি লাভ যদিও পাহৰি যে - মৃত্যুৰ পাছত লগত একোৱেই নিব নোৱাৰি আৰু এই পৃথিৱীত আপোনাৰ একোৱেই অস্তিত্ব নাথাকে, মৃত্যুৰ লগত নিব পাৰিব মাথোঁ চৰিত্ৰ, অৰ্থাৎ ভাল-বেয়া নাম - এইটোৱেই মানুহৰ জীৱনৰ সাৰ। প্ৰকৃততে, দহৰ বাবে উপকাৰ সাধন কৰাটোৱেই আঁচল জীৱন। কিয়নো মানৱ ধৰ্মতকৈ শ্ৰেষ্ঠ ধৰ্ম আন একোৱেই নাই।

**ম'বাইল ঃ** ৯৩৬৫৮-৬৫০৮২

# জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

**ৰাজেন শৰ্মা,** মনাহকুছি

'সাগৰ তলিত শুৱৰে মন' বুলি
সুদূৰ ছিংগাপুৰৰ সাগৰ তলিত শুই
বাৰ্তা দিলা পাৰ্থিৱ জীৱন এৰি
সাগৰ তলিত আছা পৰি,
অসমীয়াৰ হিয়াৰ আমঠু
অনুৰাগীৰ কলিজা
গানৰ মহিমাৰে বান্ধি হৃদয়
গাইছিলা গান আনন্দ কৰি
ভিন-পৰ নাছিল তোমাৰ
প্ৰাণে প্ৰাণে বাজে
গানৰ প্ৰতিটো কলি।
অসহ্য বেদনা নসহে হৃদয়ে
আবাল-বৃদ্ধ-বনিতাৰ
চকুলোৱে ঢাকিছে শোকৰ বেলি
দিনতে আজি এন্ধাৰ গোটেইখনি,
জাতি নাই ধৰ্ম নাই মুক্ত তুমি
কৈছিলা ডাঙৰকৈ
নিৰ্ভীক সাহসৰ পৰিচয় দি
সংস্কৃতিৰ ক্ষেত্ৰখন জীপাল কৰি
গুচি গ'লা দু-পাখি মেলি,
শোকৰ নিজৰাত আমিবোৰে সাঁতুৰি
ৰাখিম হৃদয়ত স্মৃতি
গানৰ সভাক সাৰথি কৰি
পুস্পৰে সজাম সমাধি।

# ড° ভূপেন হাজৰিকাৰ গীতত বিচিত্ৰতা

■ **বনশ্ৰী শৰ্মা**

সংগীতক আমোদ-প্ৰমোদৰ গতানুগতিক পৰিধিৰ বাহিৰলৈ আনি মানৱতাবাদ, মাতৃভূমিৰ বন্দনা, ভাতৃত্ববোধ, একতা, শিশুমন, মৃত্যু চেতনা, পাৰিপাৰ্শ্বিক চেতনা, প্ৰকৃতিপ্ৰেম, পাহাৰ-ভৈয়ামৰ একতা, জনগণৰ মুক্তিৰ সংগ্ৰাম, সমন্বয়ৰ বতৰাত অন্তৰ্ভুক্ত কৰি সমাজৰ বাবে নিজেই এক অনুষ্ঠানলৈ পৰিণত হোৱা মহান শিল্পী ড° ভূপেন হাজৰিকা কেৱল এটা নাম নহয়, তেওঁ এক সুৰীয়া সত্তা। কি নাই তেওঁৰ সংগীতত? সমাজৰ প্ৰতিটো দিশৰ প্ৰতিখন ছবি তেওঁৰ সংগীতত প্ৰতিফলিত হৈছিল, মাটি আৰু মানুহৰ মধুৰ সম্পৰ্কও আমি দেখা পাওঁ তেওঁৰ সংগীতত।

বৰ্তমান সময়ত আমাৰ সমাজত মানৱীয় মূল্যবোধৰ যি অৱক্ষয় ঘটিবলৈ লৈছে সেই সম্পৰ্কে সচেতনতা ড° ভূপেন হাজৰিকাৰ গীতত বহু আগতেই দেখিবলৈ পোৱা গৈছিল। মানৱতাবাদ আছিল তেওঁৰ জীৱন আৰু সংগীতৰ মূলমন্ত্ৰ।

মানুহে মানুহৰ বাবে
যদিহে অকণো নেভাবে
অকণো সহানুভূতিৰে
ভাবিব কোনেনো কোৱা...

ড° হাজৰিকাদেৱৰ গীতত একোখন সামাজিক চিত্ৰ প্ৰতিফলিত হোৱাৰ লগতে মানৱতাবাদ আৰু সমাজ চেতনাও অতি সুন্দৰকৈ প্ৰকাশ হোৱা দেখা যায়। মানৱতাবাদৰ এখন কোমল চিত্ৰ প্ৰতিফলিত হয় ড° হাজৰিকাদেৱৰ গীতত।

আজি জীৱন বুটলিবি
হাঁহি হাঁহি আহ
আজি মৰণ পাহৰিবি
হাঁহি হাঁহি আহ ...

ক্ষন্তেকীয়া জীৱনত মায়া-মোহত নিমজ্জিত হোৱাৰ পৰিৱৰ্তে মানৱতা, একতাৰে হাঁহি হাঁহি জীয়াই থকাটোহে জীৱনৰ মূল মন্ত্ৰ হ'ব লাগে বুলিও তেওঁ গীতৰ যোগেদিয়েই কৈ গৈছে।

আমি একেখন নাৱৰে যাত্ৰী
সহযাত্ৰী একেখন নাঁৱৰে...

মানৱতাবাদৰ জাগ্ৰত চেতনাৰে তেওঁ সংগীতৰ জৰিয়তে পাৰ্থিৱ সম্পত্তি, খ্যাতিৰ গৌৰৱত মত্ত নহৈ আমি সকলোৰে সমিলমিলেৰে থকাটোহে যে শ্ৰেয় তাকো বুজাই থৈ গৈছে।

এইগৰাকী মহান শিল্পীয়ে নিজৰ সৃষ্টিৰাজিৰ জৰিয়তে মানৱতাবাদৰ জয়গান গোৱা বিষয়টো ইমানেই বিশাল যে তাক ইমান কম শব্দ আৰু সময়েৰে আলোচনা কৰাটো সম্ভৱপৰ নহয়।

অসম আমাৰ ৰূপহী
গুণৰো নাই শেষ
ভাৰতৰে পূৰ্ব দিশত
সূৰ্য উঠা দেশ...

মাতৃভূমিৰ ৰূপত মুগ্ধ হৈ শিল্পীগৰাকীয়ে তেওঁৰ গীতৰ জৰিয়তে ইয়াৰ বন্দনা কৰিছে। অসম মাতৃৰ ৰূপ, গুণ, বৈচিত্ৰ্যৰ বন্দনা তেওঁৰ গীতৰ কোঁহে কোঁহে প্ৰৱাহিত।

বুকু হম হম কৰে
মোৰ আই
কোনে নিদ্ৰা হৰে
মোৰ আই...

মাতৃভূমিৰ প্ৰতি থকা সীমাহীন মৰম আৰু শ্ৰদ্ধাও তেওঁৰ এই সমূহ গীতৰ জৰিয়তেই প্ৰকাশ হৈছিল।

আই তোক কিহেৰে পুজিমে
আই তোৰ চৰণে দুখানি,
আই অ' কিহেৰে পুজিমে তোক
আই অ' জীৱন দি পুজিমে তোক।

এইধৰণৰ গীতৰ মাজেৰে তেওঁ মাতৃভূমিৰ লগতে জন্মদাত্ৰী আইৰ প্ৰতিও কৃতজ্ঞতা প্ৰকাশ কৰিছে।

অসমৰ প্ৰধান নদী তথা প্ৰতিজন অসমীয়াৰে গৌৰৱ আৰু আৱেগৰ থল ব্ৰহ্মপুত্ৰই অসমৰ ভৌগোলিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, ঐতিহাসিক আদি সকলো দিশতেই প্ৰভাৱ বিস্তাৰ কৰাৰ লগতে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰতেই গঢ়ি উঠিছে অসমৰ বৃহৎ কৃষ্টি, সংস্কৃতি, সভ্যতা। অসমীয়া জনজীৱন, সমাজ জীৱনৰ ছবি প্ৰতিফলিত হোৱাকৈ ড° হাজৰিকাদেৱে তেওঁৰ বহুকেইটা গীত ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰিয়েই ৰচনা কৰিছিল।

মহাবাহু ব্ৰহ্মপুত্ৰ
মহামিলনৰ তীৰ্থ
কত যুগ ধৰি আহিছে প্ৰকাশি
সমন্বয়ৰ অৰ্থ...

আকৌ ব্ৰহ্মপুত্ৰৰ পাৰতে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন বিশ্ববিদ্যালয় গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাত তেওঁ ৰচনা কৰিছিল,

জিলিকাব লুইতৰে পাৰ,
এন্ধাৰৰ ভেটা ভাঙি
প্ৰাগজ্যোতিষত বয়
জেউতী নিজৰাৰে ধাৰ...

ড° হাজৰিকাৰ গীতত পাৰিপাৰ্শ্বিক চেতনাও মন কৰিবলগীয়া। প্ৰকৃতিৰ বৰ্ণনা, প্ৰকৃতিপ্ৰেম, পাহাৰ-ভৈয়ামৰ একতা, পৰিৱেশ সচেতনতা আদিৰে পুষ্ট আছিল হাজৰিকাদেৱৰ বহু সংখ্যক গীত।

কাজিৰঙা মোৰ সেউজ সপোন
আপোন কঁহৰা বগৰী
সীমাৰ লুইত আৰু ডিফলু আপোন
আপোন মৰমী কুঠৰী...

আকৌ প্ৰকৃতিৰ তাণ্ডৱৰ কথা ক'বলৈ গৈ তেওঁ গাইছিল,

কপিলী কপিলী
ৰাংঢালী ছোৱালী
মহিমা বুজাকে টান
কপিলী কপিলী
তই হৈ বাউলী
বাৰিষাত মাৰিলি ধান...

ব'হাগ আৰু অসমীয়াৰ সম্পৰ্ক প্ৰতিগৰাকী অসমীয়াৰ হৃদয়ত। কৃষিজীৱি অসমীয়াৰ বাবে ব'হাগ এক মেটমৰা আশাৰ সম্ভাৰ। অসমীয়া জনজীৱনত ব'হাগ যে কেৱল এটা মাহ নহয় সেই কথা প্ৰকাশ কৰি তেওঁ গাইছিল,

ব'হাগ মাথোঁ এটি ঋতু নহয়
নহয় ব'হাগ এটি মাহ
অসমীয়া জাতিৰ
ই আয়ুস ৰেখা।
গণ জীৱনৰ ই সাহ...


কোনো কোনো সময়ত নিজৰ সত্তাৰ মৃত্যুকলৈও তেওঁ সচেতন হৈ উঠিছিল। মৃত্যু চেতনাৰে তেওঁ ৰচনা কৰিছিল

মই যেতিয়া এই জীৱনৰ
মায়া এৰি গুচি যাম
আশা কৰোঁ মোৰ চিতাৰ কাষত
তোমাৰ সঁহাৰি পাম...

জনগণৰ বাবেই যে তেওঁ প্ৰতিটো গান, প্ৰতিটো সুৰৰ সৃষ্টি কৰিছিল সেই কথা বুজাবলৈকে তেওঁ ৰচনা কৰিছিল

অ' মোৰ প্ৰিয় জনগণ
মই গাওঁ তোমাৰেই গান
কণ্ঠ মোৰ আছে য'তদিন
কথা দিলোঁ মই ত'তদিন
কণ্ঠ মোৰ আছে য'তদিন
কথা দিলোঁ মই ত'তদিন
গাম তোমাৰেই গান...

আকৌ তেওঁৰ গীতৰ প্ৰতিগৰাকী শ্ৰোতাকে



তেওঁ গীতৰ জৰিয়তেই কৃতজ্ঞতা আৰু শ্ৰদ্ধা জনোৱাৰ লগতে শ্ৰোতাৰ বাবেই যে শিল্পীসকল তাকো প্ৰকাশ কৰিছে।

মোৰ গীতৰ হেজাৰ শ্ৰোতা
তোমাক নমস্কাৰ
গীতৰ সভাত তুমিয়েইতো
প্ৰধান অলংকাৰ...

মুঠতে ড° ভূপেন হাজৰিকাৰ গীতত মানৱতাবাদ, প্ৰকৃতিপ্ৰেম, প্ৰিয়াপ্ৰেম, ঐতিহ্য চেতনা, সমাজ সচেতনতাৰ পৰা আৰম্ভ কৰি মৃত্যু চেতনালৈকে সকলো বিষয় পোৱা গৈছিল। আচলতে যিমান আলোচনা কৰিলেও ড° হাজৰিকাদেৱৰ সংগীতৰ আলোচনা সম্পূৰ্ণ কৰাটো সহজ নহয়। এইদৰে ইমান কম পৰিসৰত তেওঁৰ সংগীতৰ বিচিত্ৰতা আলোচনা কৰাটো একেবাৰেই সম্ভৱপৰ নহয়। অসমীয়া জাতিৰ, মাটিৰ গীত গোৱা ড° ভূপেন হাজৰিকাৰ গীতত গুঞ্জৰিত হৈছিল অসমীয়াৰ সুবাস। মোহনীয় প্ৰতিভাৰ আকৰ ড° ভূপেন হাজৰিকাৰ গীতত আছিল বিচিত্ৰতা অথচ সেই বৈচিত্ৰ্যৰ মাজতো তেওঁ সুৰৰ ঐক্যতাৰে বান্ধি থৈ গৈছে আমাক প্ৰতিজন অসমীয়াক।

**ম'বাইল ঃ** ৯৮৬৪১-৮৯৭৪৫

# মানৱ সম্পদ সৃষ্টি ঃ সম্প্ৰীতিৰ কৱচ

■ **দুলুমণি দেৱী,** মাকুম

মানৱ সম্পদ গঢ় দিয়াটো এটা জটিল প্ৰক্ৰিয়া। বহু কষ্ট, বহু সাধনাৰ পাছতহে প্ৰকৃত মানৱ সম্পদ সৃষ্টি হয়। জ্ঞান আৰু দক্ষতা হৈছে আটাইতকৈ বেছি গুৰুত্বপূৰ্ণ দিশ। এই জ্ঞান আমি ক'ৰপৰা পাওঁ। শিক্ষা ব্যৱস্থাৰ পৰাই আয়ত্ব কৰো। আমাৰ দেশত যি শিক্ষা ব্যৱস্থা আছে সেয়া জীৱিকামুখী নে জীৱনমুখী। প্ৰকৃতাৰ্থত দুয়োটা দিশেই খুব প্ৰয়োজন। কৰ্মমুখী শিক্ষাজ্ঞান প্ৰত্যেক শিক্ষানুষ্ঠানতে দিয়াৰ প্ৰাসংগিকতা আছে। শিশুৰে সৰুৰে পৰা যদি কিছুমান সৃষ্টিমূলক কৰ্মত জৰিত থাকে তেতিয়া বেয়া কৰ্মৰ প্ৰতি মন দিবলৈ সময় নহ'ব অথবা ইচ্ছা নকৰিব।

বৰ্তমান প্ৰায়ে শুনা পাওঁ ড্ৰাগছ খোৱা, চিগাৰেট খোৱা, মদ খোৱা লোকৰ পৰিমাণ বাঢ়িছে। ইয়াৰ কাৰণ কি হ'ব পাৰে বাৰু? উচ্ছৃংখল পৰিৱেশ পৰিস্থিতি নহয়নে বাৰু? ইয়াৰ বাবে উঠি অহা প্ৰজন্মক দায়ী কৰাটো উচিত নহ'ব কাৰণ চাব লাগিব ঘাই শিপাডাল ক'ৰপৰা আহিছে। মানৱ সম্পদ সৃষ্টি কৰিবলৈ হ'লে ঘৰখনৰ, সমাজখনৰ, বিদ্যালয়, মহাবিদ্যালয় প্ৰত্যেকৰে বৰঙণি থাকিবই। ঘাই শিপা হ'ল ঘৰখন। ঘৰখনৰ পৰিৱেশ যদি ভাল নহয় বাহিৰতো তাৰ প্ৰভাৱ পৰিব।

দেশৰ শান্তিৰ প্ৰগতিৰ বাবে মানুহক কেনেকৈ সম্পদলৈ পৰিণত কৰিব পাৰি তাৰ বাবে চিন্তা কৰা সময় সমাগত।

জনসংখ্যা বৃদ্ধি মানৱ সম্পদ সৃষ্টিৰ প্ৰধান অন্তৰায়। কিয়নো নিবনুৱা সমস্যা সৃষ্টিয়ে কেতিয়াও এখন দেশ উন্নতিৰ দিশত আগুৱাই নিব নোৱাৰে। নিবনুৱা সমস্যা সমাধানৰ বাবে কৰ্মসংস্থাপন সৃষ্টি কৰিব লাগিব। জীৱন আৰু জীৱিকাক সমানে গুৰুত্ব দিলেহে মানৱ সম্পদৰ সংখ্যা বাঢ়িব।

কল্যাণৰ সমতাৰ দ্বাৰা সকলোৰে সমান কল্যাণ বা মংগল সাধন হয়। সমাজত জাতি বৰ্ণ ধৰ্ম ভাষা নিৰ্বিশেষে সকলো লোকে সমান সুযোগ সুবিধা পোৱা, সমানে অধিকাৰসমূহ উপভোগ কৰা, আৰু সম্পদ লাভৰ ক্ষেত্ৰত সমবিতৰণৰ ওপৰত গুৰুত্ব দিয়া ইত্যাদি দিশ কল্যাণৰ সমতাৰ লগত জড়িত। এইদিশবিলাকৰ ওপৰত গুৰুত্ব দিলেহে কল্যাণৰ সমতা ধাৰণাটো কাৰ্যকৰী হ'ব আৰু তেতিয়াহে জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত হ'ব।

এতিয়া কথা হ'ল সমানভাৱে আমি কোনবোৰ সুবিধা পাব পাৰো? কোনবিলাক অধিকাৰ উপভোগ কৰিব পাৰো। আৰু সম্পদ সমভাৱে কোনবিলাক উপলব্ধ। যিহেতু আমি গণতান্ত্ৰিক দেশৰ নাগৰিক গতিকে সমতাৰ অধিকাৰ আছে এই সমতা মানে হ'ল সকলো নাগৰিকক যোগ্যতা আৰু দক্ষতা অনুসৰি সুযোগ লাভ কৰিবলৈ দিয়া আৰু আইনৰ দৃষ্টিত সমান হোৱা। গতিকে সমানভাৱে পাব পাৰো সুবিধা যেনে শিক্ষা,স্বাস্থ্য, কৰ্মসংস্থান ইত্যাদি ক্ষেত্ৰত। শিক্ষাক্ষেত্ৰত যদি চাওঁ সকলো শ্ৰেণীৰ ব্যক্তিয়ে শিক্ষানুষ্ঠানত নামভৰ্তিৰ সুবিধা পাব পাৰে। ঠিক সেইদৰে স্বাস্থ্যৰ ক্ষেত্ৰতো সকলো ব্যক্তিয়ে চিকিৎসা গ্ৰহণৰ ব্যৱস্থাৰ দিশতো কোনো ভেদাভেদ ৰাখিব নোৱাৰিব। ঠিক সেইদৰে কৰ্মসংস্থাপনৰ দিশতো যোগ্যতা থাকিলে পদৱী পাবই ইয়াত কোনো বৈষম্য ৰাখিব নোৱাৰিব এই গোটেই দিশবিলাক সংবিধানত লিপিবদ্ধ যদিও সেয়া সমানভাৱে প্ৰযোজ্য হৈছেনে? এয়াও জানো বিচাৰ্যৰ বিষয় নহয়? কাৰোবাৰ লগত যদি একেবাৰে শিথিল হৈছে অন্য কাৰোবাৰ লগত জটিল হৈ পৰিছে। তেনে ধৰণৰ যদি হয় তেতিয়া সমতা নুবুজায় ।

ঠিক সেইদৰে মৌলিক অধিকাৰবিলাক উপভোগ কৰাৰ ক্ষেত্ৰতো জাতি বৰ্ণ সকলো ধৰ্ম লোকে উপভোগ কৰিব পাৰে। ব্যক্তিৰ ব্যক্তিত্ব বিকাশ, সমাজত ন্যায় প্ৰতিষ্ঠা আদিৰ বাবে মৌলিক অধিকাৰ অতিকৈ প্ৰয়োজন আছে।

কল্যাণৰ সমতা তেতিয়াহে সম্ভৱ যেতিয়া মানুহৰ মাজত আত্মউপলব্ধি, আত্মসমালোচনা, আত্মঅনুসন্ধান, আত্মজ্ঞান ইত্যাদি ভাৱ প্ৰৱলভাৱে গা কৰি উঠিব। তদুপৰি আমি প্ৰকৃত মানৱ সম্পদ গঢ় দিব লাগিব। শাৰীৰিক আৰু মানসিকভাৱে উৎপাদনক্ষম কৰি পৰিৱেশ সৃষ্টি আমিয়ে কৰিব লাগিব। কল্যাণৰ সমতা থাকিলেহে জাতিৰ উন্নতি নিশ্চিত হ'ব।

**ম'বাইল ঃ** ৯৬৭৮১-৬৪৯৭৪

# ডিমৌ আৰু নাজিৰা বিধানসভা সমষ্টিত ‘শুশ্ৰূষা সেতু’ শীৰ্ষক বৃহৎ স্বাস্থ্য শিবিৰ সফলভাৱে অনুষ্ঠিত



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** ৰাজ্যজুৰি অনুষ্ঠিত হৈ থকা ‘সেৱা সপ্তাহ’ কাৰ্যসূচীৰ অংশস্বৰূপে শিৱসাগৰ জিলাৰ ডিমৌ বিধানসভা সমষ্টিৰ ডিমৌ ৰাজহুৱা খেলপথাৰত আৰু নাজিৰা বিধানসভা সমষ্টিৰ চকীমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত যোৱা ২৬ ছেপ্তেম্বৰত ‘শুশ্ৰূষা সেতু’ শীৰ্ষক বৃহৎ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হৈ যায়। ডিমৌ পৌৰসভাৰ সভানেত্ৰী পল্লৱীতা বৰুৱা গগৈ আৰু ডিমৌৰ সম-জিলা আয়ুক্ত মীনাক্ষী পেৰ্মে, সহকাৰী আয়ুক্ত পৰিস্মিতা দিহিঙ্গীয়া, যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ মাখন কলিতা, ডিমৌ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অংকন জ্যোতি ফুকন, সহকাৰী আয়ুক্তদ্বয় গণেশ চন্দ্ৰ বড়ো আৰু বিদিশা বড়া, ডিমৌ পৌৰসভাৰ কাৰ্যবাহী বিষয়া মৃত্যুঞ্জয় ভৰালী, জিলা তথ্য আৰু গণ সংযোগ বিষয়াৰ উপস্থিতিত আনুষ্ঠানিকভাৱে এই কাৰ্যসূচীৰ শুভ উদ্বোধন কৰা হয়। এই অনুষ্ঠানত স্বাস্থ্যসেৱাৰ বিভিন্ন বিভাগৰ চিকিৎসক, স্বাস্থ্যকৰ্মীসকলকে ধৰি বিভাগীয় বিষয়া-কৰ্মচাৰী আৰু বহু সংখ্যক স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, শিৱিৰটোত ১৭৯৩ গৰাকী শিশু তথা কিশোৰ-কিশোৰীৰ পঞ্জীয়ন কৰা হয় আৰু ইয়াৰে ১১১ গৰাকীক বিশেষ সা-সুবিধা থকা চিকিৎসালয়লৈ প্ৰেৰণৰ বাবে যাৱতীয় ব্যৱস্থা কৰা হয়। শিৱিৰত স্বাস্থ্যসেৱাৰ সুবিধাৰ বাবে পঞ্জীয়ন ডেস্ক, মোবাইল লেবৰেটৰী, জেনেৰেল লেবৰেটৰী, জেনেৰেল অ’পিডি, আয়ুস আৰু কেন্সাৰ অ’পিডি স্থাপন কৰা হয়। লগতে শিবিৰত ১০টা বিশেষজ্ঞ বিভাগৰ অধীনত স্বাস্থ্য পৰীক্ষণ আৰু চিকিৎসা সেৱা প্ৰদান কৰা হয়। আনহাতে নাজিৰা বিধানসভা সমষ্টিৰ অনুষ্ঠানটিত আৰম্ভণিতে অসমৰ হাৰ্টথ্ৰব জুবিন গাৰ্গৰ প্ৰতিছবিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি এই স্বাস্থ্য মেলাৰ শুভাৰম্ভণি কৰে নাজিৰা বিধানসভা সমষ্টিৰ বিধায়ক দেৱব্ৰত শইকীয়া আৰু টাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ুৰ বৰগোহাঁইয়ে। তদুপৰি এই উদ্বোধনী অনুষ্ঠানত নাজিৰা সম-জিলা আয়ুক্ত প্ৰতিভা মেশ্ৰাম, ডিমৌ সম-জিলা আয়ুক্ত মীনাক্ষী পেৰ্মে, শিৱসাগৰ জিলাৰ সহকাৰী আয়ুক্ত পৰিস্মিতা দিহিঙ্গীয়া, নাজিৰা সম-জিলাৰ সহকাৰী আয়ুক্তদ্বয় অৰুণাভ সোণোৱাল আৰু কল্যাণ জ্যোতি হাজৰিকা, যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ মাখন চন্দ্ৰ কলিতা, নডেল বিষয়া ডাঃ সৌভিক ভট্টাচাৰ্য, গেলেকী স্বাস্থ্যখণ্ডৰ মহকুমা স্বাস্থ্য বিষয়া ডাঃ প্ৰদীপ কোঁৱৰ, তথ্য আৰু গণ সংযোগ বিষয়া (মহকুমা) বৰ্ণালী দত্ত, শিৱসাগৰ জিলা প্ৰকল্প গোটৰ সদস্যসকলৰ লগতে স্বাস্থ্যসেৱাৰ বিভিন্ন বিভাগৰ চিকিৎসক, জিলাখনৰ স্বাস্থ্যকৰ্মী, বিভিন্ন পদত থকা বিষয়াসকলকে ধৰি বিভাগীয় বিষয়া-কৰ্মচাৰী আৰু বিপুল সংখ্যক স্থানীয় ৰাইজে উপস্থিত থাকে। নাজিৰা বিধানসভা সমষ্টিৰ এই বৃহৎ শিবিৰটোত ১২৪৭ গৰাকী শিশু তথা কিশোৰ-কিশোৰীৰ পঞ্জীয়ন কৰাৰ বিপৰীতে ১৬২ গৰাকী লোকক উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰাৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হয়। শিৱসাগৰ জিলা স্বাস্থ্য বিভাগৰ গণমাধ্যম বিশেষজ্ঞ আৰু জনসম্পৰ্কৰক্ষী বিষয়া অঞ্জুশ্ৰী ফুকনে জানিবলৈ দিয়া অনুযায়ী উক্ত স্বাস্থ্য শিবিৰ কেইটাত ০-১৮ বৰ্ষৰ শিশু আৰু কিশোৰ-কিশোৰীসকলক বিশেষ গুৰুত্ব প্ৰদান কৰাৰ উপৰিও হৃদযন্ত্ৰ, স্নায়ু, বংশানুক্ৰমিক ৰোগ, যকৃত, বৃক্ক, চকু আৰু নাক-কাণৰ ৰোগকে ধৰি ৫০ বিধৰো অধিক ৰোগৰ নিৰ্ণায়ক পৰীক্ষাৰ সুবিধা উপলব্ধ কৰোৱা হয়। তদুপৰি পৰৱৰ্তী পৰ্যায়ত যথোপযুক্ত চিকিৎসা প্ৰদান আৰু বিনামূলীয়া পুনৰীক্ষণৰ ব্যৱস্থা, ৰোগ অনুসৰি পৰ্যায়ক্ৰমে উন্নত তথা বিনামূলীয়া চিকিৎসা প্ৰদানৰ বাবে বিশেষ সা-সুবিধা থকা চিকিৎসালয়লৈ প্ৰেৰণৰ ব্যৱস্থা ইত্যাদি সেৱাও অন্তৰ্ভুক্ত কৰোৱাৰ উপৰিও বিনামূলীয়া ঔষধ বিতৰণ কৰা হয়। দুইটা শিবিৰতে স্বাস্থ্যসেৱাৰ সুবিধাৰ বাবে পঞ্জীয়ন ডেস্ক, মোবাইল লেবৰেটৰী, জেনেৰেল লেবৰেটৰী, জেনেৰেল অ’পিডি, আয়ুস আৰু কেন্সাৰ অ’পিডি স্থাপন কৰা হয় আৰু ১০ টা বিশেষজ্ঞ বিভাগৰ অধীনত স্বাস্থ্য পৰীক্ষণ আৰু চিকিৎসা সেৱা প্ৰদান কৰা হয়।

# তেজপুৰত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত পূব তেজপুৰ বাৰোৱাৰী দুৰ্গা পূজা সমিতিৰ সাৰ্ব্বজনীন দুৰ্গোৎসৱ পালন




**চন্দন শৰ্মা, তেজপুৰ ঃ** অসমীয়া হিয়াৰ আমঠু হাৰ্ট থ্ৰব জুবিন গাৰ্গৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে সকলোতে এতিয়া নিস্তব্ধতা বিৰাজ কৰিছে। অসমৰ সম্পদ গৰাকীৰ এনে আকস্মিক মৃত্যুত ৰাজ্যবাসীৰ প্ৰান্তে প্ৰান্তে চলিছে মহান শিল্পী গৰাকীৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। তাৰ সমান্তৰালকৈ উষানগৰী তেজপুৰৰ এক্স পুলিচ লাইনত পূব তেজপুৰ বাৰোৱাৰী দুৰ্গা পূজা সমিতিৰ উদ্যোগত আয়োজিত কণ্ঠশিল্পী জুবিন গাৰ্গক সমূহীয়াকৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি এই বৰ্ষৰ সাৰ্ব্বজনীন দুৰ্গোৎসৱভাগ অনুষ্টুপীয়াকে পালন কৰা পৰিলক্ষিত হয়। ইয়াৰ লগতে শিল্পীগৰাকীৰ অমৰ সৃষ্টি গীতসমূহৰে শিল্পীগৰাকীৰ প্ৰতিচ্ছবি নিৰ্মাণ কৰাও দেখা যায়। প্ৰাণৰ শিল্পীগৰাকীক সুঁৱৰি এই বৰ্ষত তেজপুৰৰ এখন ব্যতিক্ৰমী পূজা হিচাপে দেখা যায় ।

# জুবিন, জুবিনৰ আদৰ্শ আৰু আমি

**■ ভাস্কৰ জ্যোতি দাস,** দদৰা

জুবিন ঢুকোৱা খবৰটো শুনি চৌদিশ হাহাকাৰ। মুহূৰ্ততে লক্ষ লক্ষ মানুহ। জুবিনৰ শেষযাত্ৰা সৃষ্টি কৰিলে অভিলেখ।

তাৰপিছতে চৌদিশে আৰম্ভ হ’ল জুবিন বন্দনা। তেখেতৰ গুণ-গৰিমা গাই সকলোৱে জিৰণি ল’বলৈ আহৰি পোৱা নাই। অতীততে জুবিনক কটু সমালোচনা কৰা সকলেও জুবিনৰ ব্যক্তিত্বৰ ওচৰত শিৰ নত কৰিলে।

আটাইবিলাক আলোচনাৰ ভিতৰত সবাতোকৈ অধিক চৰ্চিত বিষয়টিয়ে হৈছে, ‘মোৰ কোনো জাতি নাই, মোৰ কোনো ধৰ্ম নাই, মোৰ কোনো ভগৱান নাই। মই মুক্ত, ময়েই কাঞ্চনজংঘা।’

পিছে, জুবিন যেন কাঞ্চনজংঘা হৈ নাথাকিল। আমি জুবিনক কঞ্চনজংঘা হৈ থাকিব নিদিলো। কাৰণ?

১। জুবিন আমাৰ বাবেই ভগৱান। আমি জুবিনক ভগৱানৰ ৰূপ দিলো। জুবিনক “প্ৰভু ঈশ্বৰ“ পাতিলো। যাৰ কোনো ভগৱান নাছিল তেওঁ আজি আমাৰ বাবে ভগৱান।

২। ধৰ্ম নোহোৱা জুবিনৰ বাবে প্ৰে কৰিলো। নাম কীৰ্তন কৰিলো। জুবিনৰ ঘৰত কোৰাণ পঢ়ি পৰিয়ালক কোৰাণ উপহাৰ দিলো। কাৰণ কি জানেনে? জুবিনৰহে ধৰ্ম নাছিল। আমিবোৰৰ ধৰ্ম আছে যে। আমিবোৰে নিজৰ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে জুবিনক ব্যৱহাৰ কৰিবই লাগিব।

৩। জাতি নোহোৱা জুবিনৰ শ্মশানত বিভিন্ন জাতিক প্ৰতিনিধিত্ব কৰা গামোচাৰ পয়োভৰ। একেদৰেই জুবিনৰ সোঁৱৰণত অনুষ্ঠিত বিভিন্ন অনুষ্ঠানত (আনকি শেষ যাত্ৰাতো) নিজৰ জাতীয় সাজপাৰ পৰিধান কৰি আমিবোৰে অংশগ্ৰহণ কৰিলো। কাৰণ আমি প্ৰমাণ দিব লাগে যে, জুবিনৰ অনুষ্ঠানত সকলো জাতিৰ মানুহে অংশগ্ৰহণ কৰিলে। নিজৰ জাতীয় সাজপাৰ পৰিধান নকৰিলে কিদৰে প্ৰমাণিত হ’ব যে, সকলো জাতিৰ মানুহে জুবিনক শ্ৰদ্ধাৰে সুঁৱৰিছে বুলি?

৪। সদায় সাধাৰণ মানুহজন হৈ, সাধাৰণ মানুহৰ লগত থকা আৰু ধনী মানুহৰ লগত থাকি বেয়া পোৱা জুবিনৰ ক্ষেত্ৰত দেখোন দহ লাখতকৈ অধিক দামী গাড়ীত উঠি ঘূৰি ফুৰা মানুহবোৰে অতীততে জুবিনৰ লগত উঠা ফটোবোৰ Share কৰি নিজৰ জুবিন অনুৰাগ প্ৰকাশ কৰি আছে। জুবিনে সাধাৰণ মানুহ ভাল পাইছিল। গতিকেই তেওঁৰ শেষযাত্ৰাত সাধাৰণ জনতাই শোকসমদল কৰিলে। পিছে জঁহাই ফুৰা সকল দেখোন কৌটিপতি। এই জহাই ফুৰা সকলে নিজেই দেখোন চহকী ভেম এৰিব পৰা নাই?

৫। কাহানিও ৰাজনীতিত লিপ্ত নোহোৱা জুবিনক লৈ দেখোন এতিয়া দুই একৰ মুখত শুনি আছো, ‘জুবিনৰ নামত ৰাজনীতি নকৰিব।’ তাৰমানে জুবিনক লৈ ৰাজনীতি আৰম্ভ হৈ গ’ল নেকি?

৬। নিজকে সামাজিক বামপন্থী বুলি কোৱা জুবিনৰ ক্ষেত্ৰত এতিয়া পুঁজিবাদ আৰু সাম্যবাদৰ মাজত টনা আঁজোৰা। কিয়? জুবিনক লৈ কিহৰ এই টনা আঁজোৰা?

৭। জুবিনে সদায় নিৰ্ভিকভাৱে স্পষ্ট কথা কৈছিল। পিছে তেওঁৰ সহচৰ সংগী সকলৰ আজি বেবেৰিবাং কথা। কথা কওঁতেই থোথোৱা লাগিছে। কিয়? ইমানদিন তেওঁলোকে জুবিনৰ লগত থাকি কেৱল টকাহে ঘটিলে নেকি? জুবিনৰ পৰা একো নিশিকিলে?

এইবোৰ কিয় ঘটিছে জানেনে? কাৰণ আমি জুবিন জীয়াই থাকোতেও তেওঁক শুহি শুহি নিজৰ লাভালাভ আদায় কৰিলো আৰু মৃত্যুৰ পিছতো আমি নিজ স্বাৰ্থ এৰিব পৰা নাই।

শেষত ক’ম, বহু আগৰেই পৰা জুবিনক সকলোৱে এক যন্ত্ৰ বুলিয়ে ধৰি লৈছিল। সকলোৱে নিজকে প্ৰতিস্থা কৰিবলৈ জুবিনক আহিলা হিচাপে ব্যৱহাৰ কৰি আছিল। পৰিতাপৰ কথা যে, বৰ্তমানেও আমি সকলোৱেই জুবিনক তেনেদৰেই ব্যৱহাৰ কৰি আছো।

# অসম চৰকাৰৰ সেৱা সপ্তাহ উপলক্ষে শিৱসাগৰসহ ৫ খন জিলাত বিশেষ স্বাস্থ্য শিবিৰ অনুষ্ঠিত




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** অসম চৰকাৰৰ চলিত ‘সেৱা সপ্তাহ’ৰ অংশ হিচাপে অসমৰ মুঠ ৫ খন জিলা ক্ৰমে শিৱসাগৰ, কামৰূপ (মেট্ৰ’), কাছাৰ, ধুবুৰী আৰু গোৱালপাৰাত পৌৰসভাৰ অধীনৰ মহিলা কৰ্মচাৰীৰ লগতে সকলো ছাফাই কৰ্মচাৰীসকলৰ বাবে এক বিশেষ স্বাস্থ্য পৰীক্ষা শিবিৰ আয়োজন কৰা হয়। শিৱসাগৰ জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত পৌৰসভা কাৰ্যালয়ত ৰাষ্ট্ৰৰ প্ৰতিগৰাকী নাৰীৰ সুস্বাস্থ্যৰ বাবে দেশজুৰি চিকিৎসা সেৱা আৰু স্বাস্থ্য শিবিৰৰ লক্ষ্যৰে যোৱা ১৭ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰ ২০২৫ লৈকে অনুষ্ঠিত হ’বলগীয়া ‘সুস্থ নাৰী সুস্থ পৰিয়াল’ অভিযানৰ অংশ হিচাপে জিলাখনৰ প্ৰতিটো স্বাস্থ্য প্ৰতিষ্ঠানত স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰি অহা হৈছে আৰু এই শিবিৰ ২ অক্টোবৰলৈকে অব্যাহত থাকিব। এই স্বাস্থ্য শিবিৰত মহকুমা স্বাস্থ্য বিষয়া (স্কুল হেলথ) ডাঃ সালমা চুলতানা, ডাঃ অৰণ্যম বৰপূজাৰী, ডাঃ মুনিন্দ্ৰ ভূঞা, ডাঃ মানস প্ৰতীম নাথকে ধৰি ভ্ৰাম্যমাণ চিকিৎসাসেৱা গোট (MMU) ৰ সদস্যসকল আৰু উদনগৰীয়া আয়ুষ্মান আৰোগ্য মন্দিৰৰ জি এন এম সকল, মহিলা স্বাস্থ্য পৰিদৰ্শিকা (Lady Health Supervisor) অঞ্জলি ফুকন, প্ৰয়োগশালা প্ৰযুক্তিবিদ (Laboratory Technician) অভিজিৎ ফুকন, সহকাৰী খণ্ড আঁচনি ব্যৱস্থাপক (ABPM), সাফিউল কৰিম আদি উপস্থিত থাকে। শিবিৰত দুশৰো অধিক গৰাকী লোকৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিনামূলীয়া ঔষধ বিতৰণ কৰা হয় বুলি শিৱসাগৰ জিলা গণমাধ্যম বিশেষজ্ঞ তথা জনসম্পৰ্কৰক্ষী বিষয়া অঞ্জুশ্ৰী ফুকনে জানিবলৈ দিছে।

# বৃহত্তৰ পাঞ্জাবাৰী বতাহঘুলী বৰনাম ঘৰত জয়-বিজয় উন্মোচন



**গুৱাহাটী ঃ** আজিৰ সময়ত মানুহে মুক্তি লাভ কৰিবলৈ হ'লে ভদ্ৰতা, শিষ্টাচাৰ আৰু নৈতিক জীৱন যাপন কৰাটোৱেই একমাত্ৰ পথ। এই মন্তব্য কৰিছে অসম সত্ৰ মহাসভাৰ প্ৰাক্তন সম্পাদক প্ৰধান তথা তেজপুৰ চেঁচা সত্ৰৰ সত্ৰাধিকাৰ ভৱ গোস্বামীয়ে। গুৱাহাটী পাঞ্জাবাৰী বতাহঘুলী বৰনাম ঘৰৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে জয় বিজয় উন্মোচন কৰি দিয়া ভাষণত সত্ৰীয়া সংস্কৃতিৰ সাধকজনে এইদৰে কয়। তেওঁ বৈকুণ্ঠৰ দ্বাৰ পাল জয় বিজয়ৰ প্ৰসংগ উল্লেখ কৰি কয় যে ভগৱানৰ কৃপা লাভ কৰিবলৈ হ'লে মানুহে সকলোৰে প্ৰতি সমভাব প্ৰদৰ্শন কৰিব লাগিব। প্ৰেম ভাতৃত্ববোধ মানৱ-সভ্যতাৰ গুৰি, যাৰ জৰিয়তে মানুহ ধ্বংসৰ পৰা ৰক্ষা পাব পাৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি জ্যেষ্ঠ সাংবাদিক তথা নিৱন্ধকাৰ ভূপেন গোস্বামীয়ে কয় যে শংকৰদেৱৰ আদৰ্শ হ'ল আৰু সাম্যবাদৰ ভেটিত মানৱতাবাদ স্থাপন কৰা। তেওঁ জাতি-ধৰ্ম-বৰ্ণৰ ভেদাভেদ আঁতৰাই মানৱীক একতা আৰু সমতাৰ বাৰ্তা দিছিল। তেওঁৰ আদৰ্শ সমাজত গণতান্ত্ৰিক চিন্তাৰ ভেটি স্থাপন কৰিছিল। এইক্ষেত্ৰত বৃহত্তৰ পাঞ্জাবাৰী বতাহঘুলী ৰাইজে যি আদৰ্শ দেখুৱাই আহিছে ই সঁচাকৈ অতি প্ৰশংসনীয়। ইয়াৰ আগতে ২৩ তম প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি নামঘৰত হিন্দু পুৰাণ অনুসৰি শ্ৰীবিষ্ণুৰ আবাস অৰ্থাৎ বৈকুণ্ঠৰ দুজন দ্বাৰপাল জয় বিজয়ৰ দাতাদ্বয় ক্ৰমে দেৱেশ্বৰ কাকতি আৰু সত্য প্ৰসাদ ভৰালীক ৰাইজে দেৱবাদ্য পৰিৱেশন কৰি আৰ্শীবাদ দিয়ে। পৰিচালনা সমিতিৰ সভাপতি বিজয় বল্লভ গোস্বামী, কাৰ্যকৰী সভাপতি ৰণজিত কুমাৰ বৰুৱা আৰু সাধাৰণ সম্পাদক দেৱেশ্বৰ কাকতিৰ পৰিচালনাত পুৱা ৪.৩০ বজাৰ পৰা মঙ্গলাচৰণ আৰম্ভ হয়। ৬.৩০ পৰা ধৰ্মধ্বজা উত্তোলন কৰে সভাপতি বিজয় বল্লভ গোস্বামীয়ে। গায়ন-বায়নৰ মঙ্গল ধ্বনি আয়তীৰ উৰুলি শংখ ঘণ্টা ডবা কাঁহ বজাই জয় বিজয় উন্মোচন কৰা হয়। অনুষ্ঠানত বিশেষভাৱে সহায় আগবঢ়োৱা ভুলি গগৈ, প্ৰবীণ ভট্ৰ, পুলিন গোস্বামী, অপূৰ্ব গগৈ, কমল চন্দ্ৰ বৰা, কেশৱ বৰা, কমল চন্দ্ৰ বৰা, গকুল চন্দ্ৰ সিংহ, সভাৰাম কেওঁট, লক্ষ্মী ৰাজখোৱা, সদানন্দ বৰগোহাঁই, তিলেশ্বৰ হীৰা, তোযেশ্বৰ চেতিয়া, পংকজ বৰদলৈ, অজিত গগৈ, অতুলচন্দ্ৰ দত্ত, প্ৰভা কলিতা, মিনতি বৰগোহাঁই, জ্যোৎস্না দাস, অনিমা হাজৰিকা, মিনু বৰুৱা, নিৰু বৰা, স্বৰ্ণলতা গগৈ, কুম কুম হাজৰিকা, দীপশিখা গগৈ, ইন্দিৰা হাজৰিকা আদিকে প্ৰমুখ্য কৰি শতাধিক গণ্য মান্য ভক্ত প্ৰাণ লোক উপস্থিত থাকে। মূল অনুষ্ঠানৰ আগত আয়তীসকলৰ উৰুলি ধ্বনিৰ সমান্তৰালকৈ গায়ন-বায়ন, ডবা, কাঁহ, শংখ, ঘন্টাৰ এক আকৰ্ষণীয় মাঙ্গলিক কাৰ্যসূচী অনুষ্ঠিত হয়। ইয়াৰ পাছত সত্ৰাধিকাৰ ভৱ গোস্বামীৰ নামাচাৰ্যত সমূহীয়া নাম প্ৰসংগ অনুষ্ঠিত হয়। ২ অক্টোবৰত অনুষ্ঠিতব্য মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৭তম জন্মোউৎসৱৰ কাৰ্যসূচীত ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি উদ্যোক্তাসকলে একান্তই কামনা কৰিছে।

# হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ অকাল মৃত্যুত শোকস্তব্ধ নগাঁৱৰ গ্ৰামাঞ্চল

## অন্তেষ্টিক্ৰিয়াৰ দৃশ্য টিভি, ম'বাইলত প্ৰত্যক্ষ আৱেগিক জনতাৰ

**জয়ন্ত মুদৈ, নগাঁও ঃ** এক গভীৰ শোকাকুল পৰিৱেশত যোৱা মঙলবাৰে পঞ্চভূতত বিলীন হ'ল প্ৰাণৰ শিল্পী জুবিন গাৰ্গ। মহাপ্ৰয়াণৰ দিনটোৰ পৰাই সকলোকে দুখৰ সাগৰত বুৰাই ৰাখি ছাই হৈ যুগজয়ী শিল্পীজন একেবাৰে গুচি গ'ল অজান দেশলৈ। অসহনীয় বেদনাত দগ্ধ হৈ পৰিল প্ৰতিজন অসমীয়া। প্ৰতিজন জুবিন অনুৰাগীৰ হেৰাই গৈছে যেন মুখৰ মাত। ছিগাংপুৰত এক ৰহস্যজনক পৰিস্থিতিত প্ৰাণহানি হোৱা অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুৰ দিনটোৰ পৰাই হিয়া ভাগি গৈছে প্ৰতিজন অসমীয়াৰ। শিশুৰ পৰা বয়োজ্যেষ্ঠজনলৈ সকলোৱে প্ৰতিটো পল মৰমৰ শিল্পীজনক স্মৰণ কৰি উচুপি উঠিছে। সকলোৰে চকুত সীমাহীন চকুপানী। ইয়াৰ ব্যতিক্ৰম নহয় নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ গ্ৰামাঞ্চলো। ৰাজ্যৰ সৰ্ব প্ৰান্তৰ দৰে পশ্চিম নগাঁৱৰ গ্ৰামাঞ্চলত মহান শিল্পীজনৰ মৃত্যুৰ বাতৰি পোৱাৰে পৰা বিয়পি পৰে দুখৰ কলীয়া ডাৱৰ। কোনেও বিশ্বাস কৰিব পৰা নাই গানৰ মুৰ্চ্ছনাৰে মোহাচ্ছন্ন কৰি তোলা আপোন শিল্পীজন যে আমাৰ মাজত নাই। সেয়ে পশ্চিম নগাঁৱৰ শোকাকুল জনতাই বিগত দিনকেইটাত প্ৰান্তে প্ৰান্তে অশ্ৰুসিক্ত নয়নেৰে শিল্পীজনলৈ শেষ শ্ৰদ্ধা জনাই অহা দেখা গৈছে। ইফালে,



মঙলবাৰে মহান শিল্পীজনৰ অন্তেষ্টিক্ৰিয়াৰ পৱিত্ৰ দিনটোত পশ্চিম নগাঁৱত একপ্ৰকাৰে মৰিশালিৰ নীৰৱতাই বিৰাজ কৰে। কেউফালে কেৱল নিমাওমাও পৰিৱেশ। কাৰণ, পুৱাৰে পৰা বিয়লিলৈকে স্বতঃস্ফুৰ্তভাৱে পশ্চিম নগাঁৱৰ বেবেজীয়া, জাজৰি, হাতীচোং, চকলাঘাট, ৰাইদঙীয়া, বটদ্ৰৱা, ধিং, ভোমোৰাগুৰি, জুৰীয়া, টুকটুকী, কাছমাৰী, কাকমাৰী, ভালুকমাৰী, নমাটি, কুজিদাঁহ, ডিমৌ, ফুলগুৰি, মাহৰিআটি, শেনচোৱা, কুৰুৱাবাহী, গেদাৰবড়ি, ঘাঁহী, দক্ষিণপাট, ডাকৰঘাট, হাতীগড়, বৰক'লা, তুলসীমুখ, বৰজহা, ম'হমৰীয়া, জামুগুৰি, শেতালী, পেটবহা আদি গ্ৰামাঞ্চলৰ সকলো দোকান-পোহাৰ, গাড়ী-মটৰৰ চলাচল বন্ধ থকাৰ বিপৰীতে বাট-পথ জনশূন্য হৈ পৰে। আচলতে, প্ৰাণৰ আপোন শিল্পীজনক শেষ বিদায় জনোৱাৰ উদ্দেশ্যেই উক্ত গ্ৰামাঞ্চলবোৰৰ বহু অনুৰাগী তথা শুভাকাংক্ষী অন্তেষ্টিক্ৰিয়াৰ পৱিত্ৰ থলীলৈ ঢাপলি মেলাৰ বিপৰীতে আন সকলোয়ে অন্তেষ্টিক্ৰিয়াৰ বিৰল মৰ্মান্তিক দৃশ্য ঘৰতে থাকি টেলিভিছন আৰু ম'বাইলৰ পৰ্দাত উপভোগ কৰি সময় অতিবাহিত কৰে। ফলত পশ্চিম নগাঁৱৰ গ্ৰামাঞ্চলত দিনটো অঘোষিত বন্ধৰ কবলত থকা পৰিলক্ষিত হয়। ইফালে, জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ পিছৰে পৰা নগএগ্ৰা জনতাই প্ৰান্তে প্ৰান্তে ৰাজহুৱা স্থানত বন্তি প্ৰজ্বলন কৰাৰ সমান্তৰালভাৱে সামাজিক-সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, মৌন সমদল আদিৰ দ্বাৰা প্ৰিয় শিল্পী জুবিন গাৰ্গৰ কৰ্মময় জীৱনৰ আলোকপাত কৰি গভীৰভাৱে শ্ৰদ্ধা নিবেদন কৰা দেখা গৈছে।

# শেৱালিৰ সুবাস

■ ৰমেন ভৰালী
আহ্বায়ক, স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতি, অসম সাহিত্য সভা



বৈদিক যুগৰ পৰা শক্তি পূজাৰ প্ৰচলন হৈ আহিছে। ঋগ্বেদৰ দেৱীসূক্ত আৰু ৰাত্ৰিসূক্ত হ'ল বৈদিক যুগৰ দেৱী তত্ত্বৰ প্ৰধান আধাৰ। দেৱী আদ্যাশক্তি মহামায়া বিভিন্ন ৰূপ আৰু নামেৰে পৰিচিতা হ'লেও দুৰ্গা নামেৰেহে তেওঁ অধিক প্ৰসিদ্ধ। তৈত্তিৰীয় অৰণ্যকত দুৰ্গাৰ প্ৰথম সাক্ষাৎ পোৱা যায়; য'ত তেওঁ কাত্যায়িনীৰ সৈতে সংশ্লিষ্ট। ঋষি কাত্যায়নৰ কন্যা হিচাপে দুৰ্গাৰ নাম হয় কাত্যায়িনী। সেইদৰে কোপনিষদত উমা, হৈমবন্তী, মুণ্ডক উপনিষদত কালী, কৰালী আৰু বৃহদাৰণ্যক উপনিষদত 'দুৰ্গে'ৰ উল্লেখ আছে। বাল্মিকী ৰামায়ণত দুৰ্গাৰ কথা উল্লেখ নাই কিন্তু মহাভাৰতৰ যুগত ভাগবতী দেৱী দুৰ্গাৰ উপাসনাৰ প্ৰচলন থকাৰ প্ৰমাণ আছে। তাত এই দেৱী ভদ্ৰকালী আৰু চণ্ডী নামেৰে উল্লেখ আছে।

অসমত দেৱী পূজাৰ এক সুদীৰ্ঘ ইতিহাস আছে। নানা জাতি-উপজাতি সমন্বয়ৰ তীৰ্থক্ষেত্ৰ এই অসমত দেৱী পূজাৰ ইতিহাসো এক সমন্বয়ৰ ইতিহাস। অসমৰ লোক-সংস্কৃতিত জনজাতীয় মূল আধাৰ উজ্বল আৰু স্ফটিকৰ দৰে স্বচ্ছ। মাতৃ প্ৰধান জনজাতীয় ধাৰাই দেৱী উপাসনাৰ এক অনন্য ক্ষেত্ৰৰূপে এই অঞ্চলক প্ৰতিষ্ঠা কৰা বুলি নিশ্চয়কৈ ক'ব পাৰি। অসমৰ ভিন ভিন জনগোষ্ঠীৰ মাজত বিভিন্ন দেৱ-দেৱীৰ উপাসনাৰ যি ধাৰা দেখিবলৈ পোৱা যায় তালৈ লক্ষ্য কৰিলে এই কথা স্পষ্ট হয় যে দেৱী পূজাই লোক মানসত এক বিশেষ স্থান অধিকাৰ কৰি আছে।

অসমত দেৱী পূজাৰ আৰম্ভণি কেতিয়াৰ পৰা হ'ল সেই বিষয়ে বিভিন্ন পণ্ডিতে ভিন ভিন মত পোষণ কৰিছে। কামৰূপত থকা কামাখ্যাৰ দৰে শক্তিপীঠে এই কথা প্ৰতীয়মান কৰে যে তন্ত্ৰ শাস্ত্ৰৰ সৈতে কামৰূপৰ এক নিবিড় সম্পৰ্ক আছে। কালিকা পুৰাণ যোগিনীতন্ত্ৰ আদিতো কামৰূপক শক্তি সাধনাৰ উপযুক্ত স্থান ৰূপে গণ্য কৰা হৈছে। গতিকে দেখা যায় যে অতি প্ৰাচীন কালৰে পৰাই কামৰূপ তথা অসমত দেৱীপূজাৰ প্ৰচলন আছিল।

'কামৰূপ' নামটিয়েই 'শক্তি' চৰ্চাৰ পৰা উদ্ভৱ। যুগে যুগে কামৰূপকহে 'শক্তি' চৰ্চাৰ প্ৰধান কেন্দ্ৰ বুলি উল্লেখ কৰি অহা হৈছে। পূৰ্ব ভাৰতৰ মূল শক্তি-পীঠ স্থান বুলিলে কামৰূপকহে বুজায়। 'শক্তি'ৰ যিকোনো ৰূপ বা প্ৰকাশৰ চৰ্চা এই কেন্দ্ৰস্থলৰ অংশটো বিশেষ হোৱাটো স্বাভাৱিক। সেয়ে কালিকা পুৰাণ, যোগিনীতন্ত্ৰ আদি প্ৰাচীন পুৰাণ বা তন্ত্ৰ শাস্ত্ৰত 'শক্তি' দেৱীৰ অন্যান্য ৰূপ যশ বৈশিষ্ট্যতা পাইছে। মূল পীঠ স্থানত 'শক্তি'ৰ ৰূপ দুৰ্গা দেৱীয়ে পোৱা আসনে ইয়াৰ যুক্তি যুক্ততাৰ ঈংগিত বহন কৰে। পূৰ্ব-ভাৰতৰ যিবোৰ স্থানত এতিয়ালৈকে 'মহিষমৰ্দিনী' দুৰ্গাৰ আদিমতম ভাস্কৰ্য উদ্ধাৰ হৈছে সেই স্থান সমূহে প্ৰকৃততে প্ৰাচীন কামৰূপৰ অন্তৰ্বৰ্তী অঞ্চল। কামৰূপত অহৰহ 'কামাখ্যা' দেৱীৰ চিৰ জাগ্ৰত প্ৰভাৱ থকাৰ বাবে মহিষমৰ্দিনীয়েই হওঁক বা অন্য শক্তিয়ে হওঁক 'কামাখ্যা' দেৱীক চেৰ পেলোৱা উদাহৰণ নাই। গতিকে শক্তিপীঠ স্থান কামাখ্যা উন্মুক্ত কৰিছে প্ৰাচীন কামৰূপৰ মহিষমৰ্দিনী দুৰ্গা পূজাই।

এতিয়া সময়বোৰ দুঃসময়। শৰতৰ আগমণতে আমাৰ মাজৰ পৰা বুকুত অসহনীয় বিষ দি গুচি গ'ল অসমীয়া মহাজাতিৰ অন্যতম সংস্কৃত মাত, বিশ্ব জ্যোতি বৰণেৰে বিশ্ব মানৱ চেতনাৰে উদ্বুদ্ধ কৰা অসমীয়া জাতিৰ অমূল্য সম্পদ, হিয়াৰ আমঠু, মৰমৰ শিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ পিছত এই ধাৰাৰ বুকু তমসাচ্ছন্ন পৰিৱেশ। ধৰ্মীয় স্থানসমূহ আজি শোকত ম্ৰিয়মাণ। এক গোমা পৰিৱেশৰ মাজত প্ৰত্যেকেই এক জটিল সন্ধিক্ষণৰ সৈতে সহাৱস্থান কৰিছে। প্ৰতিজন মানুহৰ মুখত ওলমি থকা হাঁহিবোৰৰ মাজত এতিয়া নীলাকৈ ফুলবোৰ ফুলে। তাৰ মাজতে আমি অনুভৱ কৰিছো শেৱালিৰ কোমল সুবাস। নিয়ৰৰে সিক্ত হৈ সেউজীয়া দলিচাত আলফুলকৈ পৰি থকা শেৱালিয়ে আমাৰ মনলৈ কঢ়িয়াই আনে এক মাদকতা।

শৰৎ আহে প্ৰতিবছৰে উৎসাহ, উদ্দীপনাৰ অলেখ প্ৰতিশ্ৰুতি লৈ। মানৱতাৰ জয়গান গোৱাৰ। আৰ্তজনৰ মুক্তিৰ বাবে মংগলময় ক্ষণত সংহত শক্তিৰ প্ৰতীক দশভুজাৰ আৰাধনাও আৰম্ভ হয় এই সময়তে। সেয়ে হয়তো এনে কোমল অনুভৱৰ মাজত থাকি মানুহে ক্ষন্তেকৰ বাবে পাহৰি পেলাব পাৰে আজিৰ দুঃসময়ক। পাহৰিব পাৰা নাই দু:সময়বোৰ। মাজে মাজে থমকি ৰ'বলগা হয়। শেৱালিৰ সুবাস অথবা শাৰদীয় আকাশৰ ৰংখিনি নোহোৱা হোৱাৰ পাছত আকৌ সেই একেই পৰিৱেশৰ মাজত যেন আমি একাত্ম হৈ পৰিম। এতিয়া এই শংকাৰ পৰা মুক্ত নহয় আমাৰ মন।

তথাপি আমি আশা কৰিব পাৰো এক সুন্দৰ সময়ৰ য'ত সময়বোৰ দু:সময় নহয়, য'ত তেজেৰে ফাকু নেখেলে, কোনেও বাৰুদৰ গোন্ধেৰে স্তব্ধ কৰি নিদিয়ে সময়ক। আহক, আমি শাৰদীয় সময়ত এনে এখন পৃথিবীৰে কামনা কৰো য'ত থিয় হৈ প্ৰতিজন মানুহে বুকু ভৰাই ল'ব শেৱালিৰ সুবাস। শাৰদীয় বতৰত ইয়াৰ বাহিৰে আন কি প্ৰত্যাশা কৰিব পাৰো।

सत्यमेव जयते
GOVERNMENT OF ASSAM
অসম চৰকাৰ

জলসিঞ্চন
বিভাগ

# সপ্তম ক্ষুদ্ৰ জলসিঞ্চন পিয়ল, দ্বিতীয় জলাশয় পিয়ল, প্ৰথম বৃহৎ আৰু মজলীয়া জলসিঞ্চন প্ৰকল্প পিয়ল, প্ৰথম নিজৰা পিয়ল

## জাননী

জল শক্তি মন্ত্ৰালয় , ভাৰত চৰকাৰ, নতুন দিল্লীৰ অধীনত সমগ্ৰ দেশৰ লগতে অসমতো ২০২৩-২৪ ভিত্তিবৰ্ষৰ আধাৰত সপ্তম ক্ষুদ্ৰ জলসিঞ্চন পিয়ল, দ্বিতীয় জলাশয় পিয়ল, প্ৰথম বৃহৎ আৰু মজলীয়া জলসিঞ্চন প্ৰকল্পৰ পিয়ল আৰু প্ৰথম নিজৰা পিয়লৰ তথ্য সংগ্ৰহৰ কাম আৰম্ভ হৈছে। এই পিয়লৰ উদ্দেশ্য হৈছে ভূজল, জলাশয় আৰু জলসিঞ্চন ব্যৱস্থা সম্পৰ্কে তথ্য সংগ্ৰহ কৰা আৰু ভৱিষ্যত প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বহনক্ষম পৰিকল্পনা প্ৰস্তুত কৰা।

সেয়েহে সমূহ ৰাইজক উক্ত পিয়ল কাৰ্যত সহায়- সহযোগিতা আগবঢ়াবলৈ আৰু নিজ নিজ অঞ্চলৰ পিয়লৰ সংশ্লিষ্ট তথ্যখিনি তথ্য সংগ্ৰহকাৰীক যোগান ধৰিবলৈ বিনম্ৰভাৱে অনুৰোধ জনোৱা হ'ল।

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in


অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyog RO no 2323/25/3-October-25

# সেইদিনাৰ সময়খিনি

**শতাব্দী শৰ্মা**
আমোলাপট্টি, নগাঁও

কাহিলীপাৰাত সেইদিনা কি হৈছিল?
ব্ৰহ্মপুত্ৰৰ গতিত কিজানি সুদীৰ্ঘ চৈধ্য বছৰৰ মূৰত
পুনৰ যতি পৰিছিল।
খাৰঘূলিত নিয়ৰে বাগৰ সলাইছিল।
ৰাজ্যখনক কাল অমানিশাই স্পৰ্শ কৰিছিল।
শৰতৰ হাঁহিটি এইবাৰ সৰগৰ বাঁহী হ'ল,
ব'হাগৰ ঢোলটি এইবেলি পৰলোকত বাজিব,
চেনাইৰ মাতে শুনি ৰ'ব নোৱাৰা নাচনী,
'ৰাংঢালী' হৈ উতনুৱা নহয়।
'জানমণি' হৈ বাউলী নহয়।
কাকো খাতিৰ নকৰা নদীৰ মানুহজন
চৰ্তবিহীনভাৱে সাগৰৰ হ'ল।
ক'লা কফিনত স্বদেশভূমিত,
সু-শৰীৰে নুঘূৰাৰ চেলেঞ্জ হৈ গ'ল।
মৃত্যু হেনো শিল্প,
শিল্পবোৰ কিজানি আউসীৰ জোনাক সিঁচিবলৈ
অকস্মাতে নোহোৱা হৈ যায়।
শেষ অভিনয় অসমে মিছ কৰিলে,
শেষ উপহাৰটো কাল অমানিশাৰ পিছৰ চাইক্লোন।
অসমীয়া জাতিটোৰ বাবে মাত দিবলৈ
এজন নতুন পুৰুষ বিচাৰিবলৈ শকতি ক'ত?
কিন্তু, সেইদিনা অসমে আশা কৰিছিল তেওঁ আকৌ
ঘূৰি আহিব
কিন্তু অসমে আজি 'অলীক কল্পনা' কৰিছে,
ভ্ৰমতে আকাশতো দেখিছে,
বতাহতো সুঘ্ৰাণ পাইছে,
'মায়াবিনী ৰাতিৰ কোলাত'
'জনকণ্ঠ'ৰ অৱস্থিতিৰ।
**ম'বাইল ঃ** ৬৯০১১-৫২৪২৯



# জুবিন আহিবা ঐ

**মাম্পী দাস (চান্দিনী)**
ৰাণীপুখুৰী, ভালুকমাৰী

তথাপিও জুবিন আহিবা ঐ
জুবিন আহিবা ঐ
হেৰুৱাই বুজিলোঁ
মূল্য তোমাৰ....

এবাৰ এই জনম
মৃত্যুঞ্জয়ত শেষ হয়
তথাপিও জুবিন আহিবা ঐ
জুবিন আহিবা ঐ
হেৰুৱাই বুজিলো
মূল্য তোমাৰ......

চিৰস্থায়ী নহয় দেহাখন
তোমাৰ প্ৰতিভা চিৰস্মৰণীয়
চিৰ যুগমীয়া কণ্ঠস্বৰ
তথাপিও জুবিন আহিবা ঐ
জুবিন আহিবা ঐ
হেৰুৱাই বুজিলো
মূল্য তোমাৰ ....

নশ্বৰ দেহ চাওঁ লওঁ
কেতিয়াও নেপাম বুজি পাওঁ
জনগণৰ অস্থিৰতা
হৃদয়খন কন্দুৱাই দিলা
অজানিতে গীতৰ সুৰে আপোন কৰিলা
তথাপিও জুবিন আহিবা ঐ
জুবিন আহিবা ঐ
হেৰুৱাই বুজিলো
মূল্য তোমাৰ ....।

# মায়া মাথোঁ মায়া

*(মৰমৰ জুবিন দা লৈ অশ্ৰুসিক্ত নয়নেৰে একাঁজলি শ্ৰদ্ধাঞ্জলি)*

**প্ৰিয়াংকু প্ৰতিম বৰুৱা**

তোমাৰ নিথৰ দেহ
যেতিয়া বন্ধ কাঁচৰ
কোঠাত দেখিছে,
অজস্ৰ জনতাই
চিঞৰি চিঞৰি কান্দিছে।
ঐ জুবিন দা
জুবিন দা অ....
এবাৰ ঘূৰি আহা না অ...
আকৌ এটি
গীত গোৱা না অ...
তোমাৰ অবিহনে
সৃষ্টিত শূন্যতা
মঞ্চত নীৰৱতা
হৃদয় আকুলতা
জনতাৰ ব্যকুলতা
তোমাক হেৰুওৱাৰ বেদনাত
কেৱল শূন্যতা
মাথোঁ শূন্যতা।
মায়া
সঁচাই এইয়া
তোমাৰ 'মায়া মাথোঁ মায়া'।
কিন্তু
'মায়াবিনী' হৈ
মায়াৰ সংসাৰৰ পৰা
ইমান সোনকালে তোমাক
বিদায় জনাব নোৱাৰোঁ অ...
জুবিন দা...।
প্ৰতিটো শব্দত
প্ৰতিটো গীতত
বিচাৰি পাইছিলো
আমাৰ শৈশৱ,
আমাৰ যৌৱন
প্ৰেম, ভালপোৱা, বিষাদ....
বিচাৰি পাইছিলো
জাতিৰ বাবে মাত মতাৰ
অত্যন্ত সাহস আৰু প্ৰেৰণা।
জানো,
তোমাৰ সাগৰ তলিত শুবৰ মন
কিন্তু
কাকো ঘেণ্টা খাতিৰ নকৰা জুবিন দা
ইমান.... সোনকালে....।
অবিশ্বাস্য...
তোমাৰ অবিহনে
নামি আহিছে অমানিশা।
আমি সাৰে আছো
তুমি কোৱাৰ দৰে।
কিন্তু তুমি জুবিন দা...।
একেবাৰে চিৰনিদ্ৰাত।
ঐ জুবিন দা...
জুবিন দা অ....
এবাৰ উঠি চোৱা না...
আজি জনতাই চিঞৰি চিঞৰি গাইছে
'মায়াবিনী ৰাতিৰ বুকুত
দেখা পালো তোমাৰ ছবি
ধৰা দিলা গোপনে আহি
মোৰ হিয়াৰ কোণত।

# জুবিন

**প্ৰভাত বণিয়া**

জুবিন এক শিহৰণ
এক জাগৰিত সত্বা
প্ৰজন্মৰ পিছত প্ৰজন্মৰ বুকুত লালিত পালিত এক
সাহসৰ উৎসাহ
বিৰ দি বাট নোপোৱা অমল উৎসৱৰ
নাম জুবিন
কোনো কালে পাহৰিব নোৱৰা এটা যুগমীয়া যুগৰ
নাম
গানৰ জুবিন
অমৃত সন্তান
তুমি জুবিন
আমাৰ প্ৰাণৰ জুবিন।

# পুষ্পসজ্জিত বাহনত জুবিনদা

**ৰুমী কলিতা দত্ত**
ডিব্ৰুগড়

জুবিনদা জাগা, উঠা
তোমাৰ বাবে ৰৈ আছে
হাজাৰ হাজাৰ জনতা
কিয় আছা চিৰনিদ্ৰাত
পুষ্পসজ্জিত এই বাহনত?

আজি শত শত আত্মাই কান্দিছে
ৰাজপথত বিশাল সমদ্ৰ,
জনসমুদ্ৰ...
তোমাৰ বাবেই অপেক্ষা
সহস্ৰ অনুৰাগীৰ
তোমাৰ ছবি চৌদিশে
আকাশে-বতাহে
ৰৈ আছে গুণমুগ্ধ
সকলোৱে জনাব তোমাক শ্ৰদ্ধাঞ্জলি।
কিন্তু কেনেকৈ জনাব
বিষাদবোৰ উঠিছে উঠলি
সেয়ে তুঠি উঠা জুবিনদা।
এতিয়া ব'হাগ হ'ব নিৰস
কোনোৱে নানাচে বোকা ডান্স
নকৰে লাঠী চাৰ্জ
এতিয়া ব'হাগো সলনি হ'ব জানানে?
বিদায় জুবিনদা
কঁপিছে হাত-ভৰি
কঁপিছে হৃদয়!
সেয়ে জনাওঁ জানো বিদায়
জুবিনদা তুমি আছিলা
তীক্ষ্ণ ধাৰ তৰোৱাল
অসমৰ আপুৰুগীয়া সম্পদ তুমি।
উঠানা জুবিনদা
নিদ্ৰাৰ পৰা সাৰ পোৱা
মানুহ কি?
মানুহ কোন?
উপলব্ধি কৰিবলৈ শিকাই গ'লা।
তোমাৰ নামত কেনেকৈ
ৰুই থওঁ গছ
সেয়ে গামোচাখনকে লোৱা
আৰু শেষ যাত্ৰা কৰা
আমি নিদিলেও তুমিতো যাবাই
জনসমদ্ৰৰ মাজেৰে
ক'বলৈ আৰু ভাষা নাই
শব্দবোৰো হেৰাই যায়
হে...মহান শিল্পপ্ৰাণ
পুনৰ জনালোঁ প্ৰণাম।
বিদায় জুবিনদা।

# হঠাতে হেৰাল চোতালৰে জোনাক

**পৰীস্মিতা গগৈ দত্ত**
শিৱসাগৰ

যোৱা কথা নাছিল
বহু আধৰুৱা কাম কৰিবলৈ
আছিল।
কাৰ মিঠা চলাহী কথাত
ভুল গৈ হ'লা পথভ্ৰষ্ট।
নাযাওঁ বুলিও গুচি গ'লা
সকলোকে কৰি শোকাকুল।
কেনেকৈ বাৰু শুই নীৰৱে
অকলে অকলে সাগৰৰ
তলিত।
শুনা নাই নে এবাৰো
হাজাৰ জনতাৰ
আৰ্তনাদ।
তুমি নাই বুলি জানি
পৃথিৱীয়েও সলাইছে ৰং
পশু-পক্ষী, গছ-বিৰিখেও
টুকিছে চকুলো।
অমানিশাই গ্ৰাস কৰি পেলাইছে সমগ্ৰ সত্বাক
কিদৰে বুজনি দিম
হেৰাই গ'ল আজি হঠাৎ
চোতালত উপচি থকা
জোনাক।

# এদিন মই আকৌ আহিম সমন্বয়ৰ সাঁকো গঢ়িবলৈ

**ৰমেন ভৰালী,** বংশৰ

এদিন মই আকৌ আহিম
এটি গান হৈ, এটি সুৰ হৈ,
এদিন মই আকৌ আহিম
প্ৰতিবাদী সত্বা হৈ
যিবোৰে মোক হত্যা কৰিলে
সেইসকলৰ বিৰুদ্ধে যুঁজিবলৈ
এদিন মই আকৌ আহিম
শান্তিৰ বাণী বিলাবলৈ
যিসকলে মোক শান্তিত থাকিবলৈ নিদিলে
সেই সকলৰ বিৰুদ্ধে
এদিন মই আকৌ আহিম
উজ্বল নক্ষত্ৰ হৈ পোহৰ বিলাবলৈ
এদিন মই আকৌ আহিম
ঘেন্টা মই কাকো খাতিৰ নকৰোঁ
সংস্কৃতিৰ নামত বেপাৰ কৰাসকলৰ বিৰুদ্ধে
প্ৰতিবাদী কণ্ঠ হৈ
এদিন মই আকৌ আহিম
সংগীত শিল্পী হৈ
ৰাইজৰ মাজত সমন্বয়ৰ সাঁকো গঢ়িবলৈ
এদিন মই আকৌ আহিম
য'ত নাথাকিব হিন্দু মুছলমানৰ ভেদাভেদ
এদিন মই আকৌ আহিম
ঐক্য শান্তিৰ বাণী বিলাবলৈ।
এদিন মই আকৌ আহিম
সমন্বয়ৰ সাঁকো গঢ়িবলৈ।
**ম'বাইল ঃ** ৯৭০৬০-৬৪৪৪৫



# অসমত এতিয়া মৰিশালিৰ নিস্তব্ধতা

**ৰীমা গায়ন বৰা**

মৰিশালিত জ্বলি-পুৰি ছাই
বাঁহ-কাঠ লগতে জুবিন দা
অসমত এতিয়া মৰিশালিৰ নিস্তব্ধতা।
এই চাৰিটা দিন অসমবাসীয়ে কটাইছিল মৰমৰ
কণ্ঠশিল্পী
গৰাকীৰ মৃত শৰীৰটোৰ লগত
এখন দেশৰ জনতা উজাগৰে আছিল
আজি মৰিশালিত সকলো শুই পৰিল।
নিতাল, নিস্তব্ধ চৌদিশ, অন্তৰত
জুবিন সংগীতৰ হিয়া ভগা বিননি।
অসমখনক কন্দুৱাই কন্দুৱাই
চিৰবিদায় ল'লে জনকণ্ঠই।
চিৰ চেনেহী আই মাতৃৰ কোলাত
শুই নিজকে বিলীন কৰিলে
এৰি গ'ল কিছু চিৰ যুগমীয়া
সংগীত, সুৰ, কবিতা আৰু
এসাগৰ মৰমৰ জনতা।
বিশ্বত জিলিকি ৰ'ল মৰিও অমৰ হ'ল,
চিৰসেউজ প্ৰকৃতিয়ে আঁকোৱালি ল'লে
জনতাৰ হৃদয়ে হৃদয়ে জুবিনৰ গান,
সুৰ, কবিতা লিপিবদ্ধ হ'ল।
পাৰ্থিৱ শৰীৰ পঞ্চভূতত বিলীন হ'ল
সৃষ্টিৰাজি অমৰ হ'ল
এজন সুযোগ্য পিতৃৰ বিশ্ববৰেণ্য শিল্পী পুত্ৰ
সুৰকাৰ, গীতিকাৰ, অভিনেতা
সু-লেখক, কবি, সাহিত্যিক
অসমী আইৰ সুযোগ্য সন্তান
জুবিন গাৰ্গ নোহোৱা হ'ল
মৰিশালিৰ নিস্তব্ধতাত এখন দেশ শুই পৰিল।
আকাশে বতাহে জনতাৰ হৃদয়ে হৃদয়ে কেৱল
জুবিন দা ৰ'ল।
আকাশে বতাহে জনতাৰ হৃদয়ে হৃদয়ে কেৱল
জুবিন দা ৰ'ল।

# বিশ্ব দৰবাৰত জিলিকি থকা আজিৰ অসমৰ মহিলা বক্সিং খেলুৱৈ ঃ এটি অৱলোকন

■ **শংকৰ দেৱ,** দেৰগাঁও

ক্ৰীড়া জগতত ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ অৱদান দিনক দিনে উল্লেখযোগ্য ভাৱে বৃদ্ধি পাই আহিছে। এই অঞ্চলৰ মানুহবোৰৰ নিজৰ পৰিশ্ৰম , নিষ্ঠা, একাগ্ৰতা আৰু প্ৰতিভাৰ জৰিয়তে ৰাষ্ট্ৰীয় তথা আন্তৰ্জাতিক পৰ্যায়ৰ ক্ৰীড়াৰ ক্ষেত্ৰত সফলতাৰে আগবাঢ়ি যাবলৈ সক্ষম হৈছে। অসম সেই উত্তৰ-পূৰ্বাঞ্চলৰ এখন অন্যতম ৰাজ্য, যিয়ে ক্ৰীড়াৰ প্ৰায় সকলো শাখাতে প্ৰতিভা প্ৰদৰ্শন কৰি সফলতা কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। বিশেষকৈ মহিলা বক্সিঙৰ ক্ষেত্ৰত অসমীয়া মহিলা খেলুৱৈ সকলে যি ধৰণে দেশ তথা বিশ্বদৰবাৰত নিজৰ স্থান দাঙি ধৰিবলৈ সক্ষম হৈছে, সেইয়া কেৱল সমূহ অসমবাসীৰ বাবেই নহয় সমগ্ৰ ভাৰতবাসীৰ বাবেই এক গৌৰৱৰ বিষয়। বক্সিঙৰ বাবে বিশ্বদৰবাৰত জিলিকি থকা আজিৰ উদীয়মান মহিলা খেলুৱৈসকল যেনেকৈ -

**লাভলীনা বৰগোহাঁই ঃ** তেওঁ গোলাঘাট জিলাৰ এখন সৰু গাঁও বৰমুখিয়াৰ পৰা ওলাই অহা এগৰাকী সাধাৰণ পৰিয়ালৰ ছোৱালী। বক্সিঙৰ ক্ষেত্ৰত তেওঁৰ যাত্ৰা একেবাৰে সহজ নাছিল। যেতিয়া তেওঁ বক্সিং খেলিবলৈ আৰম্ভ কৰিছিল, তেতিয়া এই খেলখন মহিলাসকলৰ বাবে নহয় বুলি সমাজৰ বহু লোকে তেওঁক বাধা প্ৰদান কৰিছিল যদিও তেওঁ এই সকলো বাধা অতিক্ৰম কৰি আগুৱাই যাবলৈ সক্ষম হৈছিল। ২০১৮ চনত লাভলীনাই প্ৰথমবাৰৰ বাবে বিশ্ব চেম্পিয়নশ্বিপত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। এই সফলতাৰ ফলস্বৰূপে তেওঁ অলিম্পিকলৈ নিৰ্বাচিত হোৱাৰ যোগ্যতা অৰ্জন কৰে। ২০২০ চনত টকিঅ' অলিম্পিকত মহিলা ৱেলটাৰৱেট শ্ৰেণীত ব্ৰঞ্জ পদক জয় কৰি, তেওঁ অসম তথা ভাৰতবাসীৰ গৌৰৱৰ কাৰণ হৈ পৰে। ২০২৩ চনত অনুষ্ঠিত বিশ্ব মহিলা বক্সিং চেম্পিয়নশ্বিপত তেওঁ সোণৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়, যি তেওঁৰ প্ৰতিভাৰ এক চূড়ান্ত সফলতা হিচাপে গণ্য কৰিব পাৰি। লাভলীনা হৈছে অসমৰ বহু মহিলা খেলুৱৈৰ বাবে অনুপ্ৰেৰণাৰ এক জ্বলন্ত উদাহৰণ।

**অংকুশিতা বড়ো ঃ** তেওঁ শোণিতপুৰ জিলাৰ মেঘাই জাৰণি গাঁৱৰ এগৰাকী উদীয়মান মহিলা বক্সাৰ। তেওঁৰ উল্লেখযোগ্য সফলতা আহে ২০১৭ চনত, যেতিয়া তেওঁ যুৱ মহিলা বিশ্ব বক্সিং চেম্পিয়নশ্বিপত সোণৰ পদক জয় কৰিবলৈ সক্ষম হৈছিল। তেতিয়া তেওঁক 'Best Boxer' নামেৰে সন্মানিত কৰা হৈছিল। অংকুশিতাই দেশৰ বহু অংশত প্ৰতিযোগিতাত অংশ লৈ অসমৰ নাম জিলিকাই ৰাখিছে। ২০২৫ চনত ৰাষ্ট্ৰীয় গেমছত তেওঁ ৬০ কেজি শ্ৰেণীত সোণৰ পদক জয় কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ এই সফলতাই প্ৰমাণ কৰে যে অসমীয়া মহিলাই আজি বক্সিং ৰিঙত নিজৰ স্থান অক্ষুন্ন কৰি ৰাখিব পাৰে।

**যমুনা বড়ো ঃ** তেওঁ অসমৰ ক্ৰীড়া জগতৰ আন এগৰাকী উদীয়মান মহিলা তৰকা তথা দৃঢ়তাৰ পৰিচয় থকা এজনী সুদক্ষ খেলুৱৈ। তেওঁ শোণিতপুৰ জিলাৰ বেলসিৰি অঞ্চলৰ এক দৰিদ্ৰ পৰিয়ালৰ ছোৱালী। তেওঁৰ পিতৃ এজন চাইকেল মেকানিক আছিল। অভাৱ-অনাটনৰ প্ৰতিকূলতাৰ মাজতো যমুনাই নিজৰ মনোবল নেহেৰুৱাকৈ বক্সিঙত আগ্ৰহী হয় আৰু আৰম্ভ কৰে কঠোৰ অনুশীলন। যাৰ বাবে ২০১৯ চনত তেওঁ ৰাছিয়াত অনুষ্ঠিত AIBA বিশ্ব মহিলা বক্সিং চেম্পিয়নশ্বিপত ব্ৰঞ্জৰ পদক জয় কৰিবলৈ সক্ষম হৈছিল। তদুপৰি, তেওঁ বহু ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশ লৈ পদক জয় কৰিছে। যমুনাৰ সফলতা অসমীয়া উদীয়মান যুৱ প্ৰজন্মৰ বাবে এক চিৰন্তন অনুপ্ৰেৰণা স্বৰূপ।

**ভাগ্যৱতী কাচাৰী ঃ** তেওঁ ওদালগুৰি জিলাৰ অসমৰ এগৰাকী অভিজ্ঞ মহিলা বক্সিং খেলুৱৈ। তেওঁ ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় মঞ্চত অসম আৰু ভাৰতক বহুবাৰ প্ৰতিনিধিত্ব কৰিছে। ৯ম নেচনছ্‌'ছ কাপ বক্সিং টুৰ্ণামেণ্টত ৰূপৰ পদক জয় কৰাৰ লগতে ২য় ইণ্ডিয়া অপেনত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁ বহু বছৰ ধৰি বক্সিং অনুশীলনৰ সৈতে সাংগঠনিক কাৰ্যকৰী কামত অলেখ ভূমিকা পালন কৰি আহিছে, যাৰ ফলত অসমত মহিলা বক্সিঙৰ গঠনমূলক পৰিৱেশ সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

**পবিলাও বসুমতাৰী ঃ** তেওঁ চিৰাং জিলাৰ এজনী সাহসী আৰু সুন্দৰ ক্ৰীড়া প্ৰতিভা সম্পন্ন ছোৱালী। তেওঁ ২০১১ চনত অনুষ্ঠিত IBA মহিলা যুৱ আৰু জুনিয়ৰ বিশ্ব চেম্পিয়নশ্বিপত ব্ৰঞ্জৰ পদক লাভ কৰি আলোচনাৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল। তাৰ উপৰিও তেওঁ জাৰ্মানীত অনুষ্ঠিত কোলন বক্সিং ৱৰ্ল্ড কাপত ৰূপৰ পদক জয় কৰিবলৈ সক্ষম হৈছিল। তেওঁ কঠোৰ অনুশীলন আৰু দৃঢ় সংকল্পৰে দেখুৱাই দিছিল যে অসমীয়া মহিলা খেলুৱৈসকলে আন্তঃৰাষ্ট্ৰীয় মঞ্চতো নিজৰ স্থান অক্ষুন্ন ৰাখিবলৈ সম্পূৰ্ণ সক্ষম।

অসমৰ মহিলা বক্সিঙৰ ইতিহাস এতিয়াও বেছি পুৰণি নহয়, কিন্তু অতি কম সময়তে অসমীয়া মহিলা খেলুৱৈসকলে যি ধৰণে নিজ নিজ স্থানত সাহসেৰে আগবাঢ়ি গৈছে, সেইয়া অতিকৈ গুৰুত্বপূৰ্ণ আৰু উজ্বল ভৱিষ্যতৰ এটা সুন্দৰ দিশৰ আহ্বান। লাভলীনা, অংকুশিতা, যমুনা, ভাগ্যৱতী, পবিলাও, এনি লামা আদি খেলুৱৈসকলে দেখুৱাইছে যে অসমীয়া নাৰীও সাহসী, দক্ষতা আৰু প্ৰতিভাৰ দিশৰ পৰা কোনো অংশতে পিছ পৰা নহয়। তেওঁলোকৰ সাফল্যই কেৱল পদক জয়তেই সীমাবদ্ধ নহয়, এইসকল মহিলাই সমাজত লৈ আহিছে এক নতুন উজ্জলতাৰ চিন্তাধাৰা আৰু প্ৰেৰণাবোধ — যে ক্ৰীড়া কেৱল পুৰুষৰ ক্ষেত্ৰ বুলি ভবা ভুল হ'ব, ইয়াত মহিলাৰো সমান অধিকাৰ তথা স্থান বিৰাজমান হৈ আছে। আজিৰ অসমত মহিলা বক্সাৰ খেলুৱৈসকল হৈছে এক সামাজিক পৰিৱৰ্তনৰ প্ৰতীক, এক আশাৰ ৰেঙণি, যিয়ে নতুন প্ৰজন্মক সাহসিকতা আৰু লক্ষ্য স্থিৰতাৰে আগবাঢ়ি যাবলৈ অনুপ্ৰেৰণা দিয়ে।

**ম'বাইল ঃ** ৭০০২৭-৮১৮৪১

# ডিব্ৰুগড়ৰ দুৰৰাচুকত আই মাতৃ, ভকত বৈষ্ণৱৰ জুবিনক শ্ৰদ্ধাঞ্জলি



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড়ৰ দুৰৰাচুকত অঞ্চলটোৰ ভকত-বৈষ্ণৱ, আই মাতৃসকল আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী একত্ৰিত হৈ সু-সন্তান প্ৰয়াত কণ্ঠশিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জুবিন গাৰ্গৰ বিদেহী আত্মাৰ চিৰ শান্তি কামনা কৰি অঞ্চলটোৰ জ্যেষ্ঠ নাগৰিক তথা ৰূপনগৰ নামঘৰৰ মেধী পূৰ্ণানন্দ নেওগে বন্তি প্ৰজ্বলন কৰাৰ অন্তত এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। এই অনুষ্ঠানত ভকত-বৈষ্ণৱ, আইমাতৃ, আদৰ্শ কৃষক সঞ্জীৱ শৰ্মা, সুকণ্ঠী গায়িকা গিৰিমণি চেতিয়া গগৈ,কণ্ঠশিল্পী ৰতন গগৈ, স্থানীয় প্ৰগতি সংঘৰ সভাপতি-সম্পাদক ক্ৰমে টুলু ফুকন আৰু দিব্য জ্যোতি মহন, উদ্যোক্তা মৃত্যুঞ্জয় দুৰৰাসহ বিশ্ববিদ্যালয়ৰ বহুতো ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণেৰে ৫১ গছি বন্তি প্ৰজ্বলন কৰি শিল্পীজনালৈ শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানটিত বহুকেইজনে শিল্পীজনাক লৈ লিখা কবিতা পাঠ কৰে। কবিতা পাঠৰ অন্তত সুকণ্ঠী গায়িকা গিৰিমণি চেতিয়া গগৈয়ে শিল্পীজনাৰ গীত পৰিৱেশন কৰি শ্ৰদ্ধা নিবেদন কৰে। উপস্থিত শোকাৰ্ত জনতাই 'জুবিন গাৰ্গ অমৰ হওঁক' - ধ্বনিৰে চৌদিশ মুখৰিত কৰে। অনুষ্ঠানটিৰ আঁত ধৰে কৃপাল ফুকনে।

# কবিতাই হৃদয়ত ৰসৰ ঝংকাৰ তোলে

■ **প্ৰাণ প্ৰতিমা বড়া,** গুৱাহাটী

কবিতাই মানুহৰ মনত সৌন্দৰ্যবোধৰ সৃষ্টি কৰি পাঠকৰ হৃদয়ত আনন্দ প্ৰদান কৰা। কবিতাৰ মাজেৰে বিভিন্ন ৰসৰ উদ্ভৱ হয়। মনত আনন্দ ৰসেৰে ভৰি পৰে। কবিতাৰ ঘাই সমল অনুভূতি আৰু কল্পনা। কবিসকলে মনৰ ভাব, আৱেগ-অনুভূতিক কবিতাৰ মাজেৰে প্ৰকাশ কৰে। এগৰাকী কবি মনত ৰোপিত সত্য অনুভৱবোধক কবিতাৰ মাজেৰে প্ৰকাশ কৰিবলৈ চেষ্টা কৰে।

কবিৰ ব্যক্তিগত ভাবানুভূতি আৰু বৰ্হিজগতৰ বিষয়বস্তুৰ প্ৰাধান্যলৈ কবিতাক দুই প্ৰকাৰে ভাগ কৰা হৈছে। ব্যক্তিনিষ্ঠ কবিতা বা গীতি কবিতা আৰু বস্তুনিষ্ঠ বা বৰ্ণনামূলক কবিতা। ব্যক্তিনিষ্ঠ বা গীতি কবিতা কবিতাত কবিয়ে নিজৰ সুখ-দুখ, ভাব-চিন্তা তথা ব্যক্তিগত ভাবানুভূতিক আধাৰ হিচাপে লৈ কবিতা ৰচনা কৰে। ব্যক্তিৰ হৃদয়ৰ অনুভূতিয়েই ব্যক্তিনিষ্ঠ কবিতাৰ মূল উপজীব্য। গীতি কবিতা বা ব্যক্তিনিষ্ঠ কবিতাসমূহ হঞ্চল ভক্তিমূলক কবিতা, এনে কবিতাৰ মাজেৰে কবিয়ে ভগৱান বা কাৰোবাৰ প্ৰতি ভক্তিভাৱ বা শ্ৰদ্ধা প্ৰকাশ কৰে। বেদ, উপনিষদৰ স্তুতিবোৰ, ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'গীতাঞ্জলি' কবিতাসমূহ এই শ্ৰেণী কবিতাৰ ভিতৰুৱা। প্ৰেমমূলক কবিতাত প্ৰেমজনিত আৱেগ অনুভূতি, মিলনৰ আনন্দ, আশা-নিৰাশাৰ প্ৰতিধ্বনি আদি বিভিন্ন ভাবৰ সমাৱেশ ঘটে। উদাহৰণস্বৰূপে হীৰুদাৰ কবিতা

এন্ধাৰে এন্ধাৰে
এটি জোনাকী
উৰি আহি

মোৰ বুকুত শুলে। ইংৰাজী সাহিত্যৰ বাৰ্ণিছৰ কবিতা 'My love is like a Red Rose' আদিবোৰ এইবিধ কবিতাৰ ভিতৰুৱা। আন এবিধ কবিতা স্বদেশপ্ৰেমমূলক কবিতাত দেশৰ প্ৰতি গভীৰ অনুৰাগ কবিতাৰ মাজেৰে প্ৰকাশ পায়। লক্ষ্মীনাথ বেজবৰুৱাৰ 'অসম সংগীত' এইবিধ কবিতাৰ ভিতৰুৱা। আন এবিধ কবিতা প্ৰকৃতিবিষয়ক কবিতা, ৰঘুনাথ চৌধুৰী, ৱৰ্ডছৱৰ্থ, শ্বেলীৰ আদি কবিৰ কবিতাত প্ৰকৃতিপ্ৰীতিৰ অনুভৱ সুন্দৰকৈ প্ৰকাশ পায়। আন এবিধ কবিতা হ'ল প্ৰশস্তিমূলক কবিতা এইবিধ কবিতাত কবিয়ে মহান আৰু সুগভীৰ বিষয়বস্তুৰ মাজেৰে মনৰ অনুভূতি প্ৰকাশ কৰে । ৰঘুনাথ চৌধুৰীৰ দহিকতৰা, কেতেকী, গিৰিমল্লিকা আদি। আন এবিধ কবিতা ছনেট কবিতা এইবিধ কবিতা এটি মাত্ৰ ভাৱক লৈ ৰচনা কৰা হয়। ১৪ টা শাৰীৰে এনে কবিতা ৰচনা কৰা হয়। হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰকুমাৰ আগৰৱালা আদি কবিৰ কবিতাত ছনেট কবিতা পোৱা যায়। কবিতাৰ আনবিধ প্ৰকাৰ হ'ল বস্তুনিষ্ঠ বা বৰ্ণনামূলক কবিতা। এনে কবিতা দুইধৰণেৰে ভাগ কৰিব পাৰি। আখ্যানমূলক আৰু নাটকীয় কবিতা। আখ্যানৰ ওপৰত ভিত্তি যিবোৰ কবিতা ৰচনা কৰা হয় তেনে কবিতাসমূহক আখ্যানমূলক কবিতা বোলে। কাহিনীগীত বা বেলাড, মহাকাব্য, খণ্ডকাব্য, প্ৰণয়কাব্য, ব্যংগ কবিতা, ৰূপক কবিতা আদিবোৰ এইবিধ কবিতাৰ ভিতৰুৱা। আৰু নাট্যকাব্য এইবোৰ কবিতা নাট্যগীতি, নাটকীয় একোক্তি আৰু স্বগতোক্তি বা আত্মভাষণ।

গতিকে এনেধৰণেৰে কবিতা বিভিন্নধৰণৰ ৰসৰ মাজেৰে ৰসৰ উদ্রেগ ঘটে। বিভিন্নধৰণৰ কবিতাত বিভিন্ন ধৰণৰ ৰসৰ সমাৱেশ ঘটে।

**ম'বাইল ঃ** ৭৩৯৯৯-২৪৬৫৮

# অসমীয়া জাতিৰ অমূল্য সম্পদ, মৰমৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুত শোক প্ৰকাশ তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ



**ৰমেন ভৰালী, বৰ্শেৰ ঃ** অসমীয়া জাতিৰ অমূল্য সম্পদ, হিয়াৰ আমঠু, মৰমৰ সংগীত শিল্পী, বোলছবি পৰিচালক, জাতিৰ হৃদস্পন্দন, নতুন প্ৰজন্মৰ হাৰ্টথ্ৰ'ৱ জুবিন গাৰ্গৰ যোৱা ১৯ ছেপ্টেম্বৰত আকস্মিক বিয়োগত তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেজপুৰ চিকিৎসা মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ অধ্যাপক ডাঃ কৰুণা হাজৰিকাই অসমীয়া জাতিৰ হিয়াৰ আমঠু, মৰমৰ সংগীত শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰাৰ লগতে পুষ্পাঞ্জলি প্ৰদান কৰি জুবিন গাৰ্গৰ মৃত্যুত গভীৰ দুখ অনুভৱ কৰি আৰু জুবিন গাৰ্গৰ জীৱন কৃতি, সংগীত, বোলছবি পৰিচালক আৰু প্ৰায় ৪০ টা বিভিন্ন ভাষাত সংগীত পৰিৱেশন কৰাৰ লগতে প্ৰায় ৩৮ হাজাৰ সংগীতত কণ্ঠদান কৰা জুবিনৰ বিষয়ে স্মৃতিচাৰণ কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধীক্ষক অধ্যাপক ডাঃ ৰূপম বৰগোহাঁই, চাৰ্জাৰী বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ ধীৰেন্দ্ৰনাথ চৌধুৰী, ফাৰ্মাক'লজি বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ পিনাকী চক্ৰৱৰ্তী, তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ উপ অধীক্ষক ডাঃ জাহানাৰা বেগম, নাছিং অধীক্ষক গিৰীজা কুমাৰ, কৰ্মচাৰী সংস্থাৰ ৰমেন ভৰালী, মকবুল হুছেইন, প্ৰাণজিৎ শৰ্মা, জয়ৰাজ শইকীয়া আদিৰ লগতে তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী আদি উপস্থিত থাকি জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনায় আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনায়।

# হিয়াৰ আমঠু

**মেৰী বৰদলৈ**
নগাঁও, ফুলগুৰি

সাগৰৰ ভালপোৱা শিল্পীজন
সাগৰৰ বুকুত
শুই ভালপোৱা শিল্পীজন
সঁচাকৈয়ে...
সাগৰতেই শুই পৰিলা,
মায়াবিনীৰ ৰাতিত
প্ৰিয় অনুৰাগীক বাকৰুদ্ধ কৰি
দুপাখি মেলি
আকাশলৈ বুলি উৰা মাৰিলা।
গুচি গ'লা তুমি
অজস্ৰ অমূল্য উপহাৰ দি
আৰু বহু বাকী থাকিল
সকলোকে ম্ৰিয়মাণ কৰি
সংগোপনে গুচি গ'লা,
কি অলংকাৰে
তোমাক আজি অলংকৃত কৰিম
চাৰিওপিনে কেৱল শূন্য
নিমাত নিতাল।
শেষ হ'বলৈ নিদিওঁ
বাজি থাকিব সদায় আকাশে বতাহে
তোমাৰ গান,
আজি তোমাৰ ছবিখনত
এগছি বন্তি জ্বলাই
তোমাক শেষ শ্ৰদ্ধাঞ্জলি
জনাবলৈ চোন
আমাৰ কঁপিছে দুহাত
কঁপিছে দুহাত....।
সঁচাকৈ তুমি যে
সাগৰ ভালপোৱা
আকাশৰ নীলা ভালপোৱা
আজি প্ৰমাণ কৰি দিলা,
কি দি তোমাক
এই ক্ষণত শ্ৰদ্ধাঞ্জলি জনাও
তোমাৰ এগৰাকী সামান্য
অনুৰাগী হিচাপে
একাঁজলি অশ্ৰুসিক্ত নয়নেৰে
সহস্ৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি
অদৃশ্যজনক প্ৰাৰ্থনা জনাইছোঁ
তোমাৰ পবিত্ৰ পুণ্য আত্মাই
পুনৰ জনমলৈ
এই ধৰাত অৱতৰণ কৰক।
প্ৰতিগৰাকী অনুৰাগীৰ
হৃদয়ে হৃদয়ে তোমাৰ সৃষ্টিয়ে
পোখা মেলি
যুগযুগান্তৰৰ সেঁতু গঢ়ি উঠক
তুমি অমৰ হৈ ৰোৱা
হে জনকণ্ঠ
হিয়াৰ আমঠু
তুমি অমৰ হৈ ৰোৱা
তুমি অমৰ হৈ ৰোৱা...।

# জুবিন দা অমৰ হওক

**ড° জিন্টুমনি বৰা**

জুবিন দা অমৰ হোৱা তুমি
কাল বাগৰি যুগ বাগৰি
অসমী আইৰ বুকুত থাকা তুমি
হিয়াৰ আমঠু হৈ চিৰ দিন চিৰকাল
এনে দিন আহক অনাগত প্ৰজন্মইও একেদৰে
ভাল পাওক তোমাক
গীতৰ মাজেদি
বৈ যোৱা এক সুমধুৰ নৈ হৈ
সকলোৰে হৃদয়ে হৃদয়ে
চিৰ দিন অবিৰাম
থাকিবা তুমি সদায় হিয়াৰ আমঠু হৈ
গীতৰ মাজেদি
শাঁত পেলাবা সকলোৰে হৃদয়
তোমাৰ শব্দ সুৰৰ মায়াৰ যোগেদি।
জুবিন দা তুমি সদায় বৰ্তমান হৈ থাকা
অতীত হ'ব নিদিওঁ কাহানিও
জুবিন দা অমৰ হোৱা তুমি।

# খহি পৰিল সূৰ্যটো

**হেৰম্ব নাথ**

অসহ্য বেদনা
বুকু ফাটি যায়
হিয়াৰ আমঠুৰ আকস্মিক মৃত্যু
নাই নাই নাই
আমাৰ জুবিনদা জীয়াই আছে

আজি নিশা আকাশত
নোলায় জোনবাই
তৰাবোৰে ৰাউচি জুৰিব
জোনবাইৰ সান্ত্বনাক নেওচি
সাগৰৰ পানীবোৰ নিস্তেজ হৈ পৰিল
নদীয়ে পাহৰি গৈছে
পানী ক'ত পানী ক'ত বুলি

চৰাই-চিৰিকটিয়ে উচুপিচে
আমাৰ জুবিনদা
আমাৰ জুবিনদা বুলি
পলকতে অৰণ্যৰ সেউজীয়াবোৰ
ৰঙবিহীন
প্ৰজন্মৰ হাহাকাৰ
'পাখি পাখি এই মন
পাখি লগা মোৰ মন...'

আস, জুবিনদা তুমি
জীয়াই আছা জীয়াই আছা
প্ৰতিজন অসমীয়াৰ হৃদয় মঞ্জুষাত।
অ' আমাৰ জুবিনদা।



# জুবিন

**দময়ন্তীৰ দাস**
বংশৰ

এদিন কৈছিলা তুমি
তৰোৱাল জুবিন নামৰ অৰ্থ
অসমীয়া আজি নিচাসক্ত
তোমাৰ নামত আসক্ত।
কলিজা ছেদ কৰি
শিৰাই শিৰাই বৈ আছে তেজ
আজি হৈছে জৰ্জৰিত।

জুবিন, তুমি কিয় গুচি গলা?
মানৱ দৰদী তুমি
বুকুখন যেন এখন
খোলা কিতাপ।
নিৰ্ভীকতা আৰু স্পষ্টবাদিতাৰ
এক অটুত সংমিশ্ৰণ।

ভাগৰি পৰিলা নেকি?
নে বিশাল হৃদয়খন মিলাই দিলা
সাগৰৰ বুকুত পৰম তৃপ্তিত।

তোমাক নোৱাৰো হেৰুৱাব।
সাগৰৰ বুকু ভেদি উভতি অহা
তোমাৰ প্ৰাণৰো প্ৰাণৰ
অসমীৰ কোলালৈ।

গোৱাহি আকৌ কণ্ঠ নিগৰাই
মানৱ প্ৰেমৰ গান,
দিশহাৰা অসমীয়াক
দিয়াহি তুমি সঠিক পথৰ সন্ধান।

আমি নাচিম গাম
তোমাৰ সুৰে সুৰে
পাহৰি যাম ভেদাভেদৰ
আমোঘ শৃঙ্খল।

ম'বাইল ঃ ৬০০০১-৯২২২০

# সাহস আৰু একতাৰ বান্ধোন

**সীমাপ্ৰভা গগৈ,** লখৰ্‌ু

প্ৰকৃতি নিৰৱচ্ছিন্ন ধাৰে আজি বহু কথা ব্যক্ত কৰিছে,
কি ধৰ্ম, সংস্কৃতি জাতি সকলো একতাৰ প্ৰতীক হৈ ৰৈছে
ধৰিত্ৰী আইৰ কোলাত থাকি আমি সৰ্বশ্ৰেষ্ঠ হোৱাৰ পথত
শক্তিশালী হৈ সকলো বিশ্বজুৰিত নিজৰ স্থান উৰ্দ্ধত
পথৰ কষ্ট বাধা চিন্তা নকৰি, সকলো বাধা নেওচি
অন্তৰ আত্মাই আজি জীৱন যুদ্ধত সঠিক ত্যাগৰ মূল্য বিচাৰিছে
দেশে-বিদেশে ভাৰতৰ নাম ঐতিহ্যত জিলিকি ৰ'ব লাগিব
শব্দহীন যদিও এয়াই মোৰ আশা, এয়াই প্ৰত্যাহ্বান।



# সেই মুখ জনতাৰ মুখ

*(জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই)*

**নৰহৰি চুতীয়া**
তেজপুৰ

সেই মুখ জনতাৰ মুখ
যি মুখৰ অসহনীয় বেদনাত
অলেখ জনতাই নিমিষতে কঁপাব পাৰে আকাশ-বতাহ
সেই মুখ অমৃত মুখ
যি মুখৰপৰা নিগৰি আহে
মৌ-বৰষা বুকুৰ গীত

সেই মুখ অমায়িক মুখ
যি মুখত নাই কোনো কাজল মেঘ
সেই মুখ সৰবৰহী মুখ
যি মুখত পোৱা যায় অমাতৰ-মাত
সেই মুখ জাতি-বৰ্ণ-ধৰ্মৰ গন্ধহীন নিকা মুখ
যি মুখে বিচাৰে কেৱল মানুহ আৰু মানুহ
সেই মুখ ভোকাতুৰ মানুহৰ মুখ
যি মুখে মচি দিয়ে
বুভুক্ষিত মানুহৰ উদৰৰ দুখ
সেই মুখ বৰষুণৰ দৰে মুক্ত মুখ
যি মুখ বন্ধনহীন এখনি বিশাল আকাশ
ঘূৰাই পামনে আকৌ সেই মুখ
যি মুখে গছৰ দৰে জীয়াই থাকিবলৈ দিব আমাক
চিৰদিন, চিৰকাল।

# জুবিনদা

**আফতাদ বাঁহমূৰীয়া**

সাগৰৰ বুকুত শুম বুলি কৈ বিলীন বুকুত
মিছানে কথাটো- সাগৰত নহয়, আত্মা আৰু তেজত সংমিশ্ৰণ
শূন্যত বিচাৰিলে নোপোৱাকৈ
কমৰেড ৰাভাক বুকুত স্থান দিয়া মানুহজনৰ ইমান মানুহ
চে গুৱেভাৰাক বুকুত স্থান দিয়া মানুহজনৰ ইমান মৰম
ভাবনাৰ মূলতে-
মানুহ
মানুহ
মানুহ
সততে আহ-যাহ কৰি থকা কাহানিও শেষ নোহোৱা দীঘল বাট
প্ৰাণত- কাহানিও শেষ নোহোৱা সুৰ
জীৱনত- অন্তিমত সূৰ্যোদয়
এইবাৰ উভতি চোৱা নহ'ব
কথা মতে-
বিষ্ণু ৰাভাৰ সৈতে খোজ মিলাই গৈ থকা হ'ব...

ম'বাইল ঃ ৬০০০৪-৯৪৯১৪

# যুগ নায়কৰ মহাপ্ৰয়াণ

**যমুনা দুলু বৈশ্য**
শুৱালকুছি

সাগৰৰ গভীৰ চিৰ নিদ্ৰাত
সকলোকে কন্দুৱাই
গুচি গ'লা চিৰদিনলৈ,
হে মহান শিল্পী,
তোমাৰ সত্বা আৰু সময়ৰে
মিঠা কণ্ঠেৰে মোহি গ'লা
বুকুৱে, বুকুৱে, দি গ'লা
মানৱতাৰ জয়গান!
তোমাৰ সৃষ্টি অক্ষয়, অমৰ
এই পৃথিৱী থকালৈকে, অনুৰাগীৰ
হৃদয়ে, হৃদয়ে জিলিকি বাজি থাকিব
তোমাৰ সুৰৰ ঝংকাৰ,
ক'ত দুখীয়াৰ অসহায় দুখীজনৰ
আছিলা বুকুৰ আপোন,
পশু-পক্ষীকো ঢালি দিছিলা
স্নেহ-আৰু মৰম,
শত সহস্ৰ জনৰ অশ্ৰুৰ বন্যাৰে
আকাশে, বতাহে যে আজি স্তব্ধ,
হে মানৱ উদাৰ বিশাল দৰদী
জুবিন গাৰ্গ, সকলোৰে দুচকুত
অশ্ৰু সিক্ত হৈ উচুপিছে,
চকুৰ পানী সাগৰ হৈ বৈছে
এবাৰ চোৱা দেশবাসীক
তুমি অবিহনে
প্ৰতিজনৰ স্পন্দনত অনুভৱী মনে
কৈছে -কেৱল শূন্যতা মাথো যন্ত্ৰাণা দায়ক
কোনোদিন উভতি নহা বাটে গমণ কৰিলা,
হে, মহান শিল্পী -
একাঁজলি ভক্তি অঞ্জলিৰে
যাঁচিলো শ্ৰদ্ধাঞ্জলি।



# জনকণ্ঠ

**দীপক হাজৰিকা**
গহপুৰ, খাবৈপৰীয়া

সাগৰৰ তলিতে শুবৰ মন আছিল তোমাৰ,
ধুমুহাৰ সৈতে খেলিছিলা ধেমালি
যাত্ৰা তোমাৰ জনসমুদ্ৰত
পাল তৰা বৰ নাৱত।
তথাপিও থমকি ৰ'লা কিয় পাহোৱাল ডেকা?
উদাত্ত কণ্ঠৰে কৈছিলা
মই স্বাধীন
মই মুক্ত
কাঞ্চনজংঘা,
কিয় তুমি পাহৰি গ'লা
ৰ'দৰ কথা,
সূৰ্য্য উঠা দেশৰ কথা,
লতাশিলৰ কথা,
মানুহৰ কথা।
অবিৰোধী কণ্ঠত
গাইছিলা জনতাৰ গান
ডেকা গাভৰুৰ মুখত
বিৰিঙাইছিলা উতলা উতলা প্ৰাণ,
যৌৱনৰ ভাটি বয়সত
সবে গাইছিল
প্ৰেম বিৰহৰ গান।
ৰজা কঁপে খোজত
প্ৰজা দৌৰে লগত,
মই কান্দিছো,
আমি কান্দিছো,
থাকিম কাৰ সাহসত।
এটা সাহস অসমীয়াৰ নোহোৱা হ'ল,
এটি জাতিৰ ইতিহাস আধৰুৱা হ'ল,
কণ্ঠত ধাৰতোলা হেংদাঙখন
হাতৰ পৰা খহি গ'ল,
জাতিৰ সপোন
চকুৰ লোতকত উটি গ'ল।

প্ৰথম পৃষ্ঠাৰ পৰা

# জুবিন গাৰ্গৰ মানৱতাবাদ আৰু প্ৰগতিশীল চিন্তা-চেতনা

আজিও উদ্ভাসিত হৈ আছে মানুহৰ জয়গান। তেওঁ নিজেই কৈ গৈছে- 'মোৰ ঘৰ-বাৰী সকলো মানুহক দি থৈ যাম। মোৰ নিজৰ কাৰণে একো নাৰাখোঁ। অকল চিতাখনৰ বাহিৰে। চিতাখন কেৱল মানুহে জ্বলাব।' তেওঁ জীৱনৰ সৰহভাগ সময় কেৱল নিঃস্ব, ৰুগ্নজনৰ ওচৰত ঠিয় হৈছিল দুহাত মেলি। তেওঁৰ হাতত ধৰিয়েই বহুতো ছাত্ৰই সমাপ্ত কৰিছিল শিক্ষাজীৱন। তেওঁ কৈছিল ঃ মোক সাধাৰণ মানুহ বুলি ধৰি ল'লে ভাল। মই মানুহৰ লগত কাম কৰি ভাল পাওঁ। মানুহৰ কাৰণে কাম কৰি ভাল পাওঁ। মোৰ জীৱনটো মানুহক দিব খোজোঁ। জীৱনটো মোৰ বাবে এটা Sacrifice বুলি ভাবোঁ। তেওঁক সন্তান জন্ম নিদিয়াৰ কাৰণ সোধোতে এবাৰ কৈছিল ঃ 'সমাজত মোৰ এজাক সন্তান আছে। তেওঁলোকৰ হৈ মই কাম কৰি ভাল পাওঁ, তেওঁলোকক সহায় কৰি ভাল পাওঁ।' এইগৰাকী মানুহ খকুৰা জুবিনে ক'ভিডকালীন সময়ত নিজৰ ঘৰটোকেই ক'ভিড চেণ্টাৰ কৰিবলৈ দিছিল। মানুহৰ বাবে। তেওঁ প্ৰায়েই কৈছিল ঃ মই ধনী মানুহৰ লগত থাকি ভাল নাপাওঁ। ৰিক্সাবালা, ঠেলাবালা, পাণ দোকানীবোৰহে মোৰ বন্ধু। বাটৰ পাগলটোৱেও মোক ভাল পায়। মানুহৰ মাজত থাকি ভাল পোৱা জুবিনে আনকি ন-পত্নীক লৈ টাৰাঙলৈ হনীমুনত যাওঁতেও লগত ১৮ জন বন্ধু-আত্মীয়ক লৈ গৈছিল। তেওঁ কৈছিল ঃ 'মই মোৰ নিজৰ কাম কৰি যাম। মই মৰাৰ আগলৈকে এনেকুৱা এটা বস্তু কৰি থৈ যাম, যিটো এশ বছৰেৰেই কোনেও কৰিব নোৱাৰিব।' ইমানেই আত্মবিশ্বাসী আছিল জুবিন। তেওঁ আৰু কৈছিল ঃ 'মই যি কাম কৰিছোঁ সকলোখিনি অসমীয়া জাতিৰ বাবেই কৰিছোঁ।' তেওঁ সদায় ৰাজনীতিক ঘৃণা কৰাইছিল। politics ভাল বস্তু নহয় বুলি সদায় কৈ গৈছিল। আনকি গীততো গাইছিল ঃ 'পলিটিকছ নকৰিবা বন্ধু।' সঁচাকৈয়ে জুবিন গাৰ্গৰ শিল্পী সত্তাটো অসমৰ বাবেই সমৰ্পিত আছিল। জুবিনৰ গান আছিল অসমীয়া জাতিৰ সাহস। জুবিন আছিল এক ক্ৰান্তি, সাংস্কৃতিক প্ৰতীক, এক সামাজিক যোদ্ধা আৰু নতুন প্ৰজন্মৰ প্ৰেৰণাৰ উৎস। তেওঁ শাসক গোষ্ঠীৰ পিনে চকু ঠিয় কৰি কৈছিলঃ 'মনত ৰাখিব, আমি নতুন প্ৰজন্মৰ হয়। আমি ইচ্ছা কৰিলে দেশ সলাবও পাৰোঁ, জ্বলাবও পাৰোঁ।' জুবিন গাৰ্গ আছিল অসমীয়া জাতিৰ সংকট কালৰ সাহস। জুবিনে এনে এখন সমাজ গঢ়ি গ'ল য'ত মানুহৰ পৰিচয় কেৱল মানুহ। অসম মুলুকৰ সকলো জাতি-জনগোষ্ঠীক জুবিনে নিজৰ কৰি লৈছিল। আজান দেশলৈ যাবৰ পৰতো জুবিনে সকসজাইত থৈ গ'ল সেই মানুহৰ সমাজখন। সঁচাকৈয়ে জুবিন গাৰ্গ আছিল এজন প্ৰকৃত মানৱতাবাদী।

জুবিন গাৰ্গ আছিল এগৰাকী গণশিল্পী। জ্যোতি প্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা আৰু ভূপেন হাজৰিকাৰ উত্তৰাধিকাৰী আছিল জুবিন গাৰ্গ। জুবিনৰ তেজত আছিল সাম্যবাদী চিন্তা-চেতনাৰ বীজ। সঁচা অৰ্থত জুবিন গাৰ্গ আছিল এজন প্ৰগতিশীল চেতনা-চেতনাৰে সমৃদ্ধ ব্যক্তি। ভণ্ড শাসকৰ মুখা গীতেৰে খুলিছিল জুবিনে। বৰ্ণবাদ, ধৰ্মীয় গোড়ামী, অন্ধবিশ্বাসৰ সমৰ্থন কৰা নাছিল জুবিনে। নিজে ব্ৰাহ্মণ হৈয়ো, নিজৰ লগুণ ছিঙি দি ৰক্ষণশীলতা বিপৰীতে অৱস্থান কৰিছিল। যাৰ বাবে জুবিনে ৰক্ষণশীল সমাজৰ ৰোষত পৰিব লগা হৈছিল। সেইদৰে তেওঁৰ মৃত্যুৰ পাছতো পত্নীক শিৰৰ সেন্দুৰ কপালত জিলিকাই ৰাখিবলৈ গীতৰ ভাষাৰে আহ্বান জনাইছিল। এয়া জুবিন গাৰ্গৰ প্ৰগতিশীল চিন্তাৰ এক উৎকৃষ্ট উদাহৰণ। ধৰ্মীয় গোড়ামী পাহাৰ অতিক্ৰমি জুবিন গাৰ্গে কৈছিল ঃ

'মোৰ কোনো ধৰ্ম নাই
মোৰ কোনো ভগৱান নাই
মই মুক্ত
ময়েই কাঞ্চনজংঘা।'

জুবিন গাৰ্গ যে এগৰাকী সাম্যবাদত বিশ্বাসী লোক আছিল, সেই কথা তেওঁ কামৰ মাজেদি দেখুৱাই থৈ গৈছে। চাৰ্লি চেপলিনৰ অনুগামী জুবিনে নিজেই কৈ গৈছে ঃ 'মই এজন বামপন্থী। মোৰ মৃত্যু হ'ব বামপন্থী হিচাপেই, চাৰ্লি চেপলিনৰ দৰে। বিদেশলৈ যাওঁত এবাৰ এটি সাক্ষাৎকাৰত জুবিন গাৰ্গে কৈছিল ঃ " People love me very much. I love people. But I always sayÊ. I am nothing. I truely a leftist. I will die as a leftist like Cheplin. He is my favourite. He is like God for me.He was the biggest." জুবিনে মাজে সময়ে ৰাজহুৱা স্থানত নিজকে ছ'চিয়েলিষ্ট বুলি দাবী কৰিছিল। জুবিন গাৰ্গে সদায় শাসক গোষ্ঠীক ঘৃণাৰ চকুৰে চাইছিল। তেওঁ গীতত গাইছিল ঃ

'অন্ধ শাসন
ভণ্ড শাসক
অৰ্থ লোভৰ
নগ্ন যুঁজ
জীৱন মৰণৰ স্বপ্ন বাহক।'

জুবিনৰ সমাজবাদী মনটো তেওঁৰ কবিতাৰ মাজতো ফুটি উঠিছে । তেখেতে 'মেটামৰফ'ছিছ' কবিতাটোত লিখিছে ঃ

'মই যদি ঈশ্বৰ হ'লোহেঁতেন
দিলোঁহেঁতেন এখনি বুকু
আকাশৰ দৰে বিশাল
য'ত নাথাকে
কপটতা, যিখন বুকুত
আশ্ৰয় পাব হেজাৰ মানুহৰ
সুখ, দুখ, সপোন
দিলোঁহেঁতেন এটা পেট, যি কেৱল
খাবলৈ নিশিকি দিবলৈও শিকিব
আনৰ বাবে...।'

বৰ্ণবাদৰ বিৰুদ্ধেও জুবিনে গৰ্জি উঠিছিল। এবাৰ এটি সাংস্কৃতিক অনুষ্ঠানত জুবিনে সত্ৰৰ সত্ৰাধিকাৰসকলক 'প্ৰভু ঈশ্বৰ' বোলা কথাটো বেয়া পাওঁ বুলি মুকলিকৈ প্ৰকাশ কৰি ৰোষত পৰিবলগীয়াও হৈছিল। তেওঁ এই প্ৰসংগত কৈছিল ঃ 'বুদ্ধই কৈছে - You are God, I am not. বুদ্ধই যেতিয়া এনেদৰে কয়, আমাৰ মনে কিয় বা....। এইবিলাক নাইকিয়া কৰিব লাগে।' তাৰ সলনি তেওঁলোকক সন্মান কৰিবলৈ আহ্বান জনাইছিল। অতি সাহসী আৰু প্ৰগতিশীল চিন্তাৰ গৰাকীয়েহে এইদৰে স্পৰ্শকাতৰ বিষয়ত বলিষ্ঠভাৱে কথা ক'ব পাৰে। আনকি তেখেতে কামাখ্যাত চলি থকা বলি-বিধানৰো বিৰোধিতা কৰি থৈ গৈছে। তেওঁ অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰোধী আছিল।

জুবিন গাৰ্গ আছিল সঁচা প্ৰকৃতিপ্ৰেমী। তেখেতে গছ ভাল পাইছিল। গছক সাৰটি ধৰিব কথা পাতিছিল। তেওঁ কৈছিল ঃ 'গছে মোক যিমান ভালদৰে বুজি পাই আন কোনেও সিমান বুজি নাপায়।' চৰকাৰে উন্নয়নৰ স্বাৰ্থত ৰাজপথৰ গছ- গছনি কাটোঁতে জুবিনে সিংহৰ দৰে গৰ্জি উঠিছিল। তেওঁ ঘৰৰ চৌহদত বিভিন্ন গছ-গছনি ৰুই আদৰ্শ দেখুৱাইছিল। জীৱ-জন্তুকো তেওঁ নিজতকৈ বেছি ভাল পাইছিল। নিজৰ পৰিয়ালৰ সদস্য কৰি লৈছিল ভালেমান জীৱ-জন্তুক।

জুবিন গাৰ্গ আছিল স্বাধীনমনা। নিজৰ ইচ্ছা বিৰুদ্ধে যোৱা কোনো কামেই কৰা নাছিল। যিজন জুবিনে বলীউডত থাকিলে বহুত ধন ঘটিব পাৰিলেহেঁতেন, সেই জুবিনে স্বাধীন মতে কাম কৰা পৰিৱেশ বিচাৰি নোপোৱাৰ বাবে বীৰৰ দৰে বলীউডৰ পৰা বিদায় লৈ স্ব-ৰাজ্যলৈ ঘূৰি আহিছিল। জুবিনৰ স্বাধীনতাত হস্তক্ষেপ কৰিব বিচাৰোঁতে, জুবিন গাৰ্গে আনকি সন্ত্ৰাসবাদী সংগঠনৰ আলফাকো ধমকি দিছিল। বিহু মঞ্চত হিন্দী গীত গালে জুবিনক হত্যা কৰাৰ ভাবুকি পোৱাৰ পাছতো জুবিনে গাইছিল হিন্দীগীত। নিজৰ মন নগ'লে জুবিনে আধাতে সাংস্কৃতিক অনুষ্ঠান এৰি অহাৰো উদাহৰণ আছে। গান নোগোৱা বাবে ঘূৰাই দিছিল ধন।

সংগীতৰ ৰজা জুবিন গাৰ্গে একমাত্ৰ ভয় কৰিছিল ঘড়ীটোক। মানে সময়ক। তেওঁৰ মতে Time is God. সেয়ে জীৱনকালত তেওঁ জিৰণিবিহীনভাৱে কামেই কৰি গৈছিল মানুহৰ বাবে। জুবিনৰ বাবে মানহে আছিল লগ, মানুহেই আছিল সংগ। জুবিনৰ বাবে মানুহেই আছিল ভগৱান।

# অসমীয়া সমাজলৈ শংকৰদেৱৰ অৱদান

শিকায়। নৱবৈষ্ণৱ ধৰ্মৰ মহিমা হৈছে পৰ্বত, সম উদাৰ, নৈতিক, মানৱতাবাদ সমাজ গঢ়াৰ প্ৰশান্তিৰে বৰভেটি স্থাপন কৰিছিল। সেইসময়তে গ্ৰাম্য সমাজখনক আকৰ্ষণ কৰিবলৈ চিহ্নযাত্ৰা নাটখনেৰে ধৰ্মৰ পাতনি মেলিছিল। তাত তেৰাই বৈকুণ্ঠ পট অংকন কৰিছিল। ভক্তসকলৰ আগত ঈশ্বৰৰ গুণানুকীৰ্তন কৰি এক শৰণ ভাগৱতী ধৰ্মৰ প্ৰতিষ্ঠা কৰিছিল। যাৰ জৰিয়তে বৃন্দাবনী বস্ত্ৰ তৈয়াৰ কৰা হৈছিল। গুৰু, দেৱ, নাম আৰু ভকত সমাজৰ সকলো স্তৰৰ লোকে পালন কৰিব পৰাকৈ নাম ধৰ্ম আৰু শ্ৰৱণ কীৰ্ত্তনকেই শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছিল।

মানৱজাতিৰ বাহিৰেও আন জীৱকুলৰ মাজতো যেন পৰমপুৰুষ শ্ৰীকৃষ্ণ বিৰাজমান। আমি সকলো জীৱকে সমদৃষ্টিৰে চাই সন্মান কৰিব লাগে।

গুৰুজনাই আমাক শিকাই গৈছে ---

কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।

আজিৰ সমাজ যুৱ প্ৰজন্মই একশৰণ ধৰ্ম গুৰুজনাৰ আদৰ্শ সমূহ শিৰণত কৰিব লাগে।

সেয়েহে-

'গুৰু লাগে মই শিক্ষিত শিষ্য
জগতক জাননি দিলো,
জগতৰে গুৰু শ্ৰীশংকৰ ঘৰতেই
অন্ধলাই নেদেখিলো
হে গুৰু শংকৰ'

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱলৈ সাহিত্য ৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা লিখা সুন্দৰ গীতি-কবিতাৰে সগুণ এক ঈশ্বৰৰ জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে একতাৰে এনাজৰীডাল নিকপকপীয়াকৈ বান্ধিছিল- অসমীয়া জাতিৰ প্ৰাণ আছিল যে, গুৰুজনলৈ ভক্তিৰে নিবেদন কৰিছিল।

তেওঁ আছিল ধৰ্মগুৰু, সমাজগুৰু, সংস্কৃতিৰ গুৰু, সাহিত্যগুৰু সেইবাবে তেওঁ গোটেই জগতৰ বাবে 'জগতগুৰু'।

'জয় গুৰু শঙ্কৰ সৰ্বগুণাকৰ
যাকেৰি নাহিকে উপাম।
তোহাৰি চৰণক ৰেণু শতকোটি
বাৰেক কৰোহো প্ৰণাম।।

মহাপুৰুষ মাধৱদেৱে গুৰুৰ নিৰ্দেশ শিৰত তুলি গুৰুজনাৰ আদৰ্শ-নীতি আৰু আধ্যাত্মিক চিন্তা-চেতনাৰে অন্তৰালত গুৰু প্ৰতি ঐকান্তিক শ্ৰদ্ধা, ভক্তি দাসত্বৰ জাতীয় জীৱনৰ প্ৰাণস্পৰ্শী নিদৰ্শন সুন্দৰকৈ প্ৰকাশ পাইছে।

মাধৱদেৱে একান্ত সেৱক হৈ শঙ্কৰগুৰুৰ দৰ্শনত (নামঘোষা) জ্বলন্ত উদাহৰণ। ভকতিৰ একনিষ্ঠ সেৱা, গুৰুসেৱাৰ মাহাত্ম্য আৰু আদৰ্শ অমৰ কৰি ৰাখিলে।

সেইবাবে গুৰুজনাই গঢ়িযোৱা অসমীয়া সমাজ সংস্কৃতি আজিও ধৰ্ম্মৰ যোগেদি সত্য শুদ্ধ আৰু সনাতন ধৰ্ম্ম নামধৰ্ম্মৰে প্লাৱিত হৈ আছে।

'কিৰাত কছাৰী খাচী গাৰো, মিৰি
যৱন কঙ্ক গোৱাল।
অসম মুলুক ধোৱা যে তুৰুক
কুবাচ ম্লেচ চণ্ডাল।। (ভাগৱত)

অসমৰ সামাজিক গুৰুজনাৰ প্ৰভাৱ ঐশ্বৰিক ধৰ্ম্মৰ প্ৰতি মানৱতাৰ মাজত কৃষ্ণৰ প্ৰেমত আকৃষ্ট কৰিবলৈ ব্ৰাহ্মণ, শুদ্ৰ, খাচী, গাৰো, মিৰি চণ্ডাল আদি সকলো লোকক শৰণ দি একতা ভাতৃত্ববোধেৰে সমাজখন একত্ৰিত কৰিবলৈ স্থাপন কৰিছিল।

সেইজনা জগতগুৰু ধৰ্ম, দৰ্শন আদৰ্শৰ প্ৰচাৰ প্ৰসাৰ আছিল।

গুৰুজনাই ৰচিত কাব্য, অঙ্কীয়ানাট, ভক্তিতত্ব প্ৰকাশক গ্ৰন্থ, অনুবাদমূলক গ্ৰন্থ গীত, নামপ্ৰসঙ্গৰ পুথি আদি বিশাল অমূল্য সম্পদৰাজি জগতত তুলনা বিহীন। এই মহান অৱদানে অসমীয়া জাতিটোক সমন্বয়ৰ জৰীৰে বান্ধি ৰখাৰ হেতু আজি অসমত বিভিন্ন সত্ৰ, গাৱে গাৱে নামঘৰ, ঘৰে, ঘৰে বেদসদৃশ, কীৰ্ত্তন, দশম, নামঘোষা, গুণমালা, ভক্তিমালা, ভক্তিপ্ৰদীপ, উত্তৰাকাণ্ড, ৰামায়ণ, ভটিমা, অমৃতমন্থন আৰু বত্ৰাৱলীকে আদি কৰি গুৰুজনাৰ আদৰ্শৰে গঢ়ি তোলা দেৱবাদ্য বিৰাজমান। গুৰুজনাৰ ঐশ্বৰিক সৃষ্টিৰ প্ৰভাৱ বিস্তাৰিতভাৱে পৰা বাবেই অসমীয়া জাতিৰ ঘৰে, ঘৰে পুৱা-গধূলি উপাসনা হৰিনামৰ ধ্বনি, বৰগীতৰ সৌত বব লাগিছে। সামাজিকভাৱে নাট-গীত, ভাওনা বাদ্য আদিৰ ভকতিৰ অনুষ্ঠান প্ৰচলন হৈ আহিছে। চন্দ্ৰ , সূৰ্য থকালৈকে মনুষ্য জাতিটোৱে মহাপুৰুষ গুৰুজনাৰ প্ৰভাৱ ভকতিৰ সৃষ্টিৰ অৱদান মনত ৰাখে। এইজনা জগতগুৰু মহাপুৰুষে ১১৯ বছৰ বয়সত কোচবিহাৰৰ ভেলা মধুপুৰ সত্ৰত ইহলীলা সম্বৰণ কৰে।

# হামৰেণত ১০০ খন বিচনাযুক্ত জিলা

জিএনএম নাৰ্ছিং স্কুলো নিৰ্মাণ কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে। ইতিমধ্যে নিৰ্মাণ কৰা চিকিৎসালয়খনত সেই উদ্দেশ্যে শ্ৰেণীকোঠা আদিও নিৰ্মাণ কৰা হৈছে যাতে ছাত্ৰীবাস নিৰ্মাণৰ পিছতে নাৰ্ছিং প্ৰশিক্ষণ প্ৰতিষ্ঠানখন মুকলি কৰিব পৰা যায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে উদ্বোধন কৰা জিলা চিকিৎসালয়খনত অহা ডিচেম্বৰৰ ভিতৰত চিটিস্কেন মেছিনৰো সুবিধা কাৰ্যক্ষম কৰি তোলা হ'ব। ডংকামোকাম সামুহিক স্বাস্থ্য কেন্দ্ৰত কিড়নী ডাইলেছিচ মেছিনৰ ব্যৱস্থা ইতিমধ্যে কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে হামৰেণৰ জনসাধাৰণে বিচাৰিলে এই চিকিৎসালয়খনতো অনুৰূপ সেৱা প্ৰদানৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিব। তদুপৰি জিলা চিকিৎসালয়খনত শীঘ্ৰে ব্লাড বেংক কাৰ্যক্ষম কৰা হ'ব তথা চিজাৰিয়ান সেৱা যাতে আৰম্ভ কৰিব পৰা যায় তাৰ বাবে প্ৰচেষ্টা অব্যাহত আছে। মুকলি কৰা জিলা চিকিৎসালয়খনৰ বাবে চিকিৎসক আৰু নাৰ্ছসকলক অভিনন্দন জনোৱাৰ লগতে ড° শৰ্মাই জনসাধাৰণৰ সেৱাত উৎসৰ্গীত মনোভাৱেৰে সেৱা আগবঢ়াবলৈ তেওঁলোকক আহ্বান জনায়।

অসম চৰকাৰ



যা দেৱী সৰ্বভূতেষু
শক্তিৰূপেণ সংস্থিতা
নমস্তস্যৈ নমস্তস্যৈ
নমস্তস্যৈ নমো নমঃ।।

শাৰদীয় দুৰ্গোৎসৱৰ এই পৱিত্ৰ ক্ষণত সমূহ ৰাজ্যবাসীৰ মংগল কামনাৰে দুৰ্গতিনাশিনী দেৱী দুৰ্গামাৰ শ্ৰীচৰণত প্ৰণিপাত জনাইছোঁ।

প্ৰতিগৰাকী লোকেই দেৱীমাৰ আশিসপুষ্ট হৈ নৱ নৱ চিন্তা-চেতনাৰে উজলি উঠক।

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyog RO no 2321/25/3-October-25

# এটি যুগৰ অৱসান

■ **সবিতা বেগম,** বৰপেটা

**অ**কালতে হাৰ্টথ্ৰৱ যুগৰ অৱসান অৰ্থাৎ অমূল্য সম্পদ এটি নক্ষত্ৰৰ এটি সুৰৰ আজন্ম প্ৰেমিক জনতাৰ প্ৰান সম্ৰাটৰ শুকুৰবাৰৰ দিনা (জন্ম ১৮ নৱেম্বৰ ১৯৭২, মৃত্যু ১৯- ছেপ্টেম্বৰ - ২০২৫, শেষকৃত ২৩ ছেপ্টেম্বৰ ২০২৫) ছিংগাপুৰত অকাল মৃত্যু। মৃত্যু চিৰ সত্য তথাপি মানিবলৈ খুবেই কষ্ট....দেহ মন স্তব্ধ পৰিৱেশ নিথৰ, জগত সংসাৰ শূন্য প্ৰানহীন। অসমখন যেন আতুৰ হৈ পৰিছে ভাষাহীন ভাৱে। নাজানো, জুবিন দা যে আচলতে কি আছিল হৃদয়খনে ভাষাৰে বুজাই ক'ব নোৱাৰে, কি হেৰুৱালে? ইমান কষ্ট লাগে...কাক কেনেকৈ বুজাম নাজানো মাথোঁ নাই বুলি ভাবিলেই চিঞৰি চিঞৰি কান্দিবলৈ মন যায়। য'ত যেনেকৈ যিটো কথা কৈ গৈছিল অক্ষৰে অক্ষৰে মিলি গ'ল সেয়া গানৰ ভাষা হওক নাইবা মুখৰ ভাষা হওক। ইতিহাস এয়া এক নতুন ইতিহাস। মানুহে পাগল বুলি কৈছে মূৰৰ পৰা ভৰিলৈকে যি সাজ সজ্জা পৰিধান কৰিছিল সেয়া চাই পাগল কোৱাটো হয়তো স্বাভাৱিক আছিল কিন্তু আজি সম্পূৰ্ণ ওলোটা, জীয়াই থাকোঁতে নিজে পাগল মৰিছে এতিয়া আমি অসমবাসী তোমাৰ বাবে পাগল।

জুবিন দা এটা কথা স্পষ্ট কৈ বুজাই থৈ গ'ল প্ৰেম কি, প্ৰেম কিদৰে কৰিব লাগে, প্ৰেমৰ সংজ্ঞা কি....মানৱ ধৰ্ম, মানৱ প্ৰেমে সেয়া বুজাই থৈ গ'ল.... বান্ধি গ'ল একতাৰ ৰচিৰে।

যিদৰে কৈছিল সেইদৰেই সকলো কাম কৰিলে- 'সাগৰ তলিত শুবৰে মন', শুই দিলে, 'এশ বছৰে যি হোৱা নাই সেয়া কৰি থৈ যাম' তাকো সঁচাকৈ কৰিলে, 'মই মৰিলে অসম সাত দিন বন্ধ থাকিব.... তাকো প্ৰায় হ'ল, 'ৰ'দ-বৰষুণ,মেঘ-ডাৱৰ, গছ-গছনি, জীৱ-জন্তু পশু-পক্ষী...... সকলো তেওঁৰ বাবে পাগল, শোকাতুৰ স্তব্ধ অশ্ৰুসিক্ত যেন সকলো নিথৰ আহত দেহ। পৃথিৱী যেন নিজৰ গতি পাহৰি গৈছে। ক'তো ভাল নালাগে কি হেৰালো গোটেই জীৱনটোৰ বাবে। তুমি কোৱাৰ দৰেই হ'ল মাথোঁ তুমি চকু মেলি নেদেখিলা হয়তো স্বৰ্গৰ পৰা ঠিকেই দেখিছা। য'তে আছা ভালেই থাকিবা।

দানবীৰ গণশিল্পী ৩৩ বছৰ কৰ্ম জীৱনত ৪০ টি ভাষা উপভাষাত গান গাইছিল ৩৮ হাজাৰৰো অধিক। ২০০৬ চনত হিন্দী চলচ্চিত্ৰ 'গ্যাংষ্টাৰ'ত হিন্দী গান 'ইয়া আলি'ত তেওঁ জাতীয় খ্যাতি অৰ্জন কৰিছিল। তাৰ প্ৰথম এলবাম 'অনামিকা' ১৯৯২ চনত।

এইখিনিতেই থমকি থকা নাই ক্ৰমান্বয়ে অনুৰাধা (১৯৯২), জোনাকী মন (১৯৯৩), মায়া (১৯৯৪), আশা (১৯৯৫), জুবিনৰ গান (১৯৯৬), ৰং (১৯৯৬), মুক্তি (১৯৯৭), জানমণি (১৯৯৮), মেঘৰ বৰন (১৯৯৯), ৰাংঢালি (১৯৯৯), পাখি (১৯৯৯), হিয়ামন (২০০১), সপোন (১৯৯৯), শিশু (২০০২), যন্ত্ৰ (২০০৪), উৰণীয়া মন (২০০৭), ৰুমাল (২০০৮), অভিমানী মন (২০০৯), ৰুণজুন (২০১২), কিং (১০১৫) ইত্যাদি। ২০১৪ চনত জুবিন দালৈ 'ৰেনেছাঁ অসম বঁটা' আগবঢ়োৱা হয়। ২০২৪ চনৰ ২৭ মে'ত জুবিন গাৰ্গক মেঘালয়ৰ 'বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়ে' সন্মানীয় ডক্টৰ অৱ লিটাৰেচাৰ (ডি.লিট) ডিগ্ৰী প্ৰদান কৰে। ২০২৫ চনত বেলতলা ব'হাগী উৎসৱ সমিতিয়ে তেওঁক জীৱনজোৰা সাধনাৰ ড° ভূপেন হাজৰিকা বঁটা প্ৰদান কৰে।

তেওঁ মাথোঁ শিল্পী নাছিল একেধাৰে- কবি, লেখক, সমাজসেৱক, গীতিকাৰ, সংগীতজ্ঞ, চলচ্চিত্ৰ নিৰ্মাতা আৰু অভিনেতা ইত্যাদি হিচাপেও খ্যাত। তেওঁ ১২ বিদৰো অধিক বাদ্যযন্ত্ৰ বজাবলৈ সক্ষম আছিল। অসম আত্মাৰ গুণগৰিমা কৈ শেষ কৰা অসম্ভৱ। অতন্ত্ৰ প্ৰহৰী হৈ কাম কৰি গৈছিল। দেশৰ বাবে, দশৰ বাবে, সমাজৰ বাবে, দুখীয়াৰ বাবে, মাথোঁ নিজৰ বাবে একো কৰা নাই দান কৰি কৰি ভগৱানক যেন ঋণী হৈ গৈছে। ১২ বছৰ আগতে যিটো গছৰ তলত বহি জিৰণি লৈছিল ক্লান্ত পথিক ৰূপে আজি সোণাপুৰৰ সেই ঠাইত অনন্ত কালৰ বাবে জিৰণি ল'লে আমাৰ অসম প্ৰান জুবিন দা।

যাৰ নিত্য নতুন গান শুনি দুঃখ-কষ্ট, হাঁহি-কান্দোন, শুই-বহি, ক্লান্ত-জিৰণি, খোৱা-লোৱা, কাম-কাজ আদি সকলোতে মিল বন্ধত থকা অৰ্থাৎ দৈনন্দিন জীৱনৰ প্ৰতি মুহূৰ্তত মিলি যোৱা গান আছে মাথোঁ এজনৰেই সেয়া হ'ল সুৰ সম্ৰাট জুবিন দা। এতিয়া নাজানো কাৰ গানৰ অপেক্ষাত থাকিম। কাৰ গান শুনি শুনি টোপনি যাম কাৰ গান শুনি চকু মেলিম, কাৰ নতুন গানৰ ষ্টেটাচ লগাম, হোৱাটচপ, ফেচবুক, ইনষ্টাগ্ৰাম আদিত মনৰ ভাৱ প্ৰকাশ কৰি। কাৰ নতুন নতুন গান শুনি নিৰ্জন দুপৰীয়া কটাম। অসম্ভৱ মৃত্যুবিহনে তোমাক পাহৰা, হে গণশিল্পী জনতাৰ যোগ্য নেতা তুমি উভতি অহা। অসমক কিয় অনাথ কৰি থৈ গ'লা।

অসমৰ বিশিষ্ট লেখক-সাহিত্যিক ড° নগেন শইকীয়াই জুবিন গাৰ্গ সন্দৰ্ভত মন্তব্য কৰি কৈছিল- 'মই দেখিছোঁ জুবিনৰ কণ্ঠত এনে এক সুৰৰ যাদু আছে, যি মানুহক, শ্ৰোতাক সহজেই আকৰ্ষণ কৰিব পাৰে'। কথাষাৰ একেবাৰেই সত্য।

'মানুহক দুঃখ দি ঈশ্বৰক পূজা কৰি লাভ নাই, দুখীজনৰ মুখত হাঁহি বিৰিঙাব পাৰিলেই ঈশ্বৰ সেৱা হয়।'

'মোৰ কোনো জাতি নাই, মোৰ কোনো ধৰ্ম নাই, মই মুক্ত।' -জুবিন গাৰ্গ।

**ম'বাইল ঃ** ৯৩৬৫৮-৯১৩৩১

# জুবিন গাৰ্গৰ মৃত্যুত ৰামধেনু শাখা সাহিত্য সভাৰ শোক

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** অসমৰ সংগীত জগতৰ উজ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ আকস্মিক বিয়োগত বঙালগাঁও ৰামধেনু শাখা সাহিত্য সভাই গভীৰ শোক প্ৰকাশ কৰিছে। এক প্ৰেছ বিবৃতিত সম্পাদক অনিল প্ৰসাদ সিংহ আৰু সভাপতি ভূষণ জ্যোতি সন্দিকৈয়ে কয় যে জুবিন গাৰ্গে আধুনিক ৰোমাণ্টিক সংগীতৰ জগতত এক নতুন যুগৰ সৃষ্টি কৰি গ'ল। তেখেতৰ অবৰ্তমানত সেই সংগীতৰ ধাৰা স্থবিৰ হৈ ৰ'ব।




# অসমৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ কাহিলীপাৰাস্থিত বাসগৃহত লুইত সাহিত্য সংস্কৃতি পৰিষদৰ শোক প্ৰস্তাৱ প্ৰদান

**চন্দন শৰ্মা, তেজপুৰ ঃ** অসমৰে নহয় বিশ্ববিশ্ৰুত সংগীত শিল্পী সদ্যপ্ৰয়াত জুবিন গাৰ্গৰ কাহিলীপাৰাস্থিত বাসগৃহলৈ গৈ লুইত সাহিত্য সংস্কৃতি পৰিষদৰ সভাপতি নৰজিৎ পাটোৱাৰী আৰু প্ৰধান সম্পাদক মণিকা দাসৰ সৈতে পৰিষদৰ এঘাৰজনীয়া এটি প্ৰতিনিধি দলে শনিবাৰে জুবিন গাৰ্গৰ সহধৰ্মিনী গৰিমা গাৰ্গ শইকীয়াক সাক্ষাৎ কৰে। লুইত সাহিত্য সংস্কৃতি পৰিষদে অসমৰ প্ৰাণৰ স্পন্দন জুবিন গাৰ্গৰ ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত ঘটা আকস্মিক মৃত্যুত শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰি এখন লিখিত শোকপ্ৰস্তাৱ গৰিমা গাৰ্গ শইকীয়াৰ হাতত অৰ্পণ কৰে। শিল্পীগৰাকীৰ বাসস্থলীত আয়োজন কৰা শোকসভাত অংশগ্ৰহণ কৰি পৰিষদৰ প্ৰতিনিধি দলটোৱে প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু চাকি বন্তি জ্বলাই শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।







স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা